চান্দমামা

ফেব্রুয়ারি ১৯৮৭



"অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!"

–ফেভিফেইৰী

লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহয়
হাত বহি গৈ শেষত হবগৈ
একজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

সূৰ্য্যমুখী ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত:
"ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

সূৰ্য্যমুখী ফুল ধাপে ধাপে কেনেকৈ সাজিব সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী" পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ____________________

বয়স: ____________________

ঠিকনা: ____________________

____

চহৰ: ____________________

ৰাজ্য: ______________ পিন: ______________

তোমাৰ মহেকীয়া আলোচনা ফেভিক্ৰাফট পালানে? হয়/নহয়

® এম-আৰ

ফেভিকল

চিন্থেটিক এধেচিভ

উওম বস্তু গঢ়িবলৈ হলে উওম বস্তু বেই জোৰা দিব লাগে!

® দুয়ো আৰু **ফেভিকল** ব্ৰাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক

OBM-8527 AS

দিনটো আৰম্ভ হওক মুখত সজীৱ আমেজ লৈ মুখত!
পিপাৰমেণ্ট আৰু স্পিয়াৰমেণ্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ নিমিত্তে বিয়পি পৰা ফেনেৰে দাঁত চিকচিকীয়াকৈ পৰিষ্কাৰ কৰে, নিশ্বাসত স্নিগ্ধ সুগন্ধ।
নতুন পণ্ডচ টুথপেষ্টৰে দাঁত ঘঁহিবলৈ অকণো আমনি নালাগে, বৰং ভালহে লাগে।
চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেষ্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ টুথপেষ্ট কিনক। আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।
Pond's
TOOTHPASTE
বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...
... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৱাবস্তুৰ টুকুৰা আঁতৰ কৰি দি দাঁত শুদ্ধ আৰু চিকমিকীয়া কৰি তোলে।
নতুন
পণ্ডচ
টুথপেষ্ট
সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস
OBM 9795 ASS

চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৭

এই সংখ্যাত আছে

অমৰ বাণী : ৭
চান্দমামাৰ সম্বাদ-বিসম্বাদ : ৯
জয়ন্তী : ১০
সুখেই দুখৰ শিপা : ১১
ভাৰস্তা আৰু কৰণ্ডা : ১৭
জ্বালা দ্বীপ : ১৯
আত্ম-শ্লাঘা : ২৭
সোৱাদ : ৩২
আমাৰ দ'ল-দেৱালয় : ৩৫
অক্ষমৰ শাসন : ৩৯
উত্তৰ-ৰামায়ণ : ৪৩
সগিয়ান টল্লকা : ৫১
তলা পালে তাঁতীয়ে : ৫৬
উচিত কড়ি বুকুত গুৰি : ৫৮
মধুপক্ষী : ৫৯
পশু-পক্ষী : ৬৩

খনে : ২'৫০ পইচা মাথোন * বছৰকীয়া বৰঙণি : ৩০'০০ টকা মাথোন

লাক্সৰৰ ডিজনী ফান পেৰে'ড
নতুনকৈ উলিওৱা হৈছে
গতিকে, ফূৰ্তি কৰক !
লাকী ড্ৰ আঁচনিত ভাগ লওক
লাক্সৰ ডিজনী ফান চে'ট
ড'নাল্ড, মিকী, বাম্বী আৰু লাক্সৰ মিলি
এটা সুন্দৰ কৌতুকময় পৰিয়াল হৈ পৰে !
এতিয়া এটা ডিজনী ফান-চে'ট ললেই
হ'ল, তাৰ লগত আপুনি এখন লাকী ড্ৰৰ
কুপনো পাব !
হুপাতে পাই অবাক হবলগীয়া ধৰণৰ
পুৰস্কাৰ আছে ৫০০ টা !
Luxor
CLARION D 349 ASS



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

এটি বিশেষ কথা : 'চান্দমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে বছৰেকীয়া বৰঙণিৰ টকা পোনে পোনে চান্দমামাৰ মাদ্ৰাজৰ ঠিকনালৈ পঠাব ; ফটো-নামকৰণ প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ'ব পাৰি। চান্দমামাত প্ৰকাশৰ বাবে লেখা-মেলা—এক : লেখা-মেলা লোক-কাহিনী ভিত্তিক হ'ব লাগিব ; দুই : ইংৰাজীলৈ ভাঙি পঠাব লাগিব.। লেখা-মেলা মনোনীত হ'লে ছমাহৰ ভিতৰত প্ৰকাশিত হয়। অমনোনীত লেখা-মেলা ঘূৰাই পঠোৱা নহয় আৰু এই বিষয়ত ব্যক্তিগতভাৱে পত্ৰালাপ কৰা নহয়।

অমৰ-বাণী

দুৰ্জনেন সমম সখ্যম্ প্ৰীতিং চাপি ন কাৰমেৎ।
উষ্ণো দহতি চাঙগাৰঃ শীতঃ কৃষ্ণায়তে কৰম্॥

[দুৰ্জনৰ লগত মৰম-চেনেহৰ সম্পৰ্ক নাইবা বন্ধুতা দুয়োটাই অত্যন্ত অনিষ্টকৰ। তেনেকৈ জ্বলি থকা এঙাৰত হাত দিলে হাত পুৰিব আৰু নজ্বলা এঙাৰত ধৰিলে হাত লেতেৰা হ'ব।]

বছৰ : ১১ ফেব্ৰুৱাৰি ১৯৮৭ সংখ্যা : ১১

খনে : ২'৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

A CHANDAMAMA PUBLICATION

ikaya-E-3-86-ASM
মনটোযে বেয়া বাবলুৰ আমাৰ
খেলা-ধুলা নহলে নচলে তাৰ
ৰোগৰ চিকাৰ হয়যে সি
মথীহঁত নাহে ওচৰ চাপি !
এনে সময়ত এক' কাষলৈ আহে
লগে লগে সি আঁকাত লাগে
১২ বিধ ৰঙত আঁকে ভাটো, বান্দৰ,
বাবলু আনন্দিত হয় তাকে দেখি !
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট; বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
আতি ভাল স্কেচ পেন এক'হে লবা!
এক'
স্কেচ পেন ৰঙৰ মজা ! আঁকা-আঁকিৰ ৰজা !
প্ৰিচিশান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.
EKCO

চাঁদমামাৰ সম্বাদ-বি-সম্বাদ

নিদ্ৰাহীনতাৰ ৰেকৰ্ড

কথাত বোলে আহাৰ-নিদ্ৰা নাই যাৰ, প্ৰাণী নহয় নাম তাৰ। আহাৰৰ দৰে নিদ্ৰাৰো সমধিক প্ৰয়োজন। নহ'লে মানুহ বা কোনো প্ৰাণীয়েই দীৰ্ঘদিন জীয়াই থাকিব নোৱাৰে। পিছে—কিউবাৰ টমাছ ইজিকবাৰ্ডোই একেৰাহে চল্লিছ বছৰ ধৰি নিদ্ৰাহীন ৰাতিবোৰ-দিনবোৰ কটাইছে। সমগ্ৰ পৃথিৱীত আন কোনো মানুহে এনে আচৰিত জীৱন যাপন কৰিব পৰা নাই বুলি কিউবাৰ মনস্তবিদ ডঃ পোড্ৰো গাৰ্ছিয়াই কৈছে।

দীৰ্ঘায়ুৰ ৰহস্য

বৃটেইনৰ ১০৮ বছৰীয়া বৃদ্ধ এগৰাকীয়ে দীৰ্ঘায়ুৰ তিনিটা গোপন ৰহস্য কথা কৈছে। এক: মদ্যপান নকৰিব; দুই: ধূমপান নকৰিব; আৰু তিনি: দিনৰ যিকোনো সময়ত যিকোনো কাম উৎসাহেৰে কৰিব।

বুদ্ধিমন্ত পশু

চিম্পাঞ্জি, ওৰাংওটাং, হাতী, গৰিলা, কুকুৰ, ঘোঁৰা, ছীলায়ন, ভালুক, মেকুৰী আদি জন্তুৰ স্মৰণশক্তি আৰু ঘ্ৰাণশক্তিও প্ৰখৰ। মাজীৰ ডাইৰেক্টাৰ ডঃ নীডন্নেইৰে এই অভিমত প্ৰকাশ কৰিছে।

জয়ন্তী

ৰাক্ষস-গুৰু শুক্ৰাচাৰ্য্যদেৱে কৈলাস পৰ্বতত বহি শিৱৰ অনুগ্ৰহ লাভৰ বাবে শিৱনাম জপ তথা তপস্যা কৰিবলৈ ধৰিলে। শুক্ৰাচাৰ্য্য তপস্যাত সফল হ'লে তেওঁলোকৰ অনিষ্ট হ'ব বুলি ভাবি যেনেতেনে এই তপস্যা ভংগ কৰিবলৈ আঁচনি লৈ দেৱতাসকল অপূৰ্ব ৰূপৱতী জয়ন্তীৰ কাষ চাপিল।

জয়ন্তী আছিল ইন্দ্ৰৰ কন্যা। দেৱতাসকলৰ সহায় প্ৰাৰ্থনাৰ উত্তৰত জয়ন্তীয়ে সুধিলে, "কি উপায়ে আপোনাসৱক সহায় কৰিম ?"

"তুমি যদি সহায় কৰিবা বুলি প্ৰতিশ্ৰুতি দিয়া, কোৱা হ'ব।" দেৱতাগণে ক'লে।

জয়ন্তীয়ে নম্ৰতাৰে ক'লে, "দেৱগণৰ মংগলৰ বাহিৰে মই আন কিবা ভাবিব পাৰোঁনে ? কি কৰিব লাগিব, কওক, এতিয়াই কৰি দিম।"

"কৈলাস পৰ্বতত তপস্যা কৰি থকা শুক্ৰাচাৰ্য্যক যেনেকৈয়েই নহওক বিবাহ কৰাব লাগিব।" দেৱতাগণে ক'লে।

শুক্ৰাচাৰ্য্যৰ তপস্যা ভংগ কৰাৰ কামত দেৱতাসকলে যে তেওঁক ব্যৱহাৰ কৰিব খুজিছে, জয়ন্তীয়ে বুজি পালে। কিন্তু এনেকৈ শুক্ৰাচাৰ্য্যৰ অনিষ্ট কৰাৰ মন নগ'ল জয়ন্তীৰ। তথাপি, দেৱতাসকলক কথা দিয়াত জয়ন্তীয়ে শুক্ৰাচাৰ্য্যৰ শিষ্যা ৰূপে দিনে-নিশাই শুক্ৰাচাৰ্য্যৰ সেৱা-যত্ন কৰি থাকিল।

কিছু কালৰ অন্তত শুক্ৰাচাৰ্য্যৰ তপস্যা সফল হ'ল। শিৱে শুক্ৰাচাৰ্য্যক বৰ দান কৰিলে। বৰ প্ৰাপ্তিৰ পাছত শুক্ৰাচাৰ্য্যই জয়ন্তীক যিকোনো বৰ দিব বুলি কোৱাত জয়ন্তীয়ে শুক্ৰাচাৰ্য্যক বিবাহ কৰাব খুজিলে। শুক্ৰাচাৰ্য্য এই প্ৰস্তাৱত তৎক্ষণাৎ সন্মত হ'ল আৰু সানন্দে জয়ন্তীক বিবাহ কৰালে।

জয়ন্তীয়ে শুক্ৰাচাৰ্য্যৰ তপস্যা ভংগ কৰা নাছিল ; কিন্তু দেৱতাসৱক প্ৰদত্ত প্ৰতিশ্ৰুতি মতে মহান আত্মত্যাগৰ দৃষ্টান্ত দাঙি ধৰি ৰাক্ষসকলৰ গুৰুশুক্ৰাচাৰ্য্যক বিবাহ কৰাইছিল।



সুখেই দুখৰ শিপা

গোদাৱৰী নৈৰ তীৰত শিৱনাথ নামৰ এগৰাকী সন্ন্যাসী আছিল। সন্ন্যাসী-গৰাকীৰ কুটিৰটো আছিল নিচেই সৰু। ওচৰ-পাজৰৰ গাঁৱে গাঁৱে ভিক্ষা কৰি যি পাইছিল, শিৱনাথ সন্ন্যাসীয়ে তাৰে জীৱন নিৰ্বাহ কৰিছিল। কেতিয়াবা কোনোবা গ্ৰামবাসীয়ে সন্ন্যাসী শিৱনাথক খাবলৈ দিছিল। এই গৰাকী সন্ন্যাসীয়ে দিনে মাথোন এসাজকৈ খাইছিল।

*

গাঁৱৰ জমিদাৰ ডাঙৰীয়াই শিৱনাথ সন্ন্যাসীক বৰ শ্ৰদ্ধা-ভক্তি কৰিছিল। এদিন জমিদাৰে শিৱনাথ সন্ন্যাসীক ক'লে, "প্ৰভু, আপুনি প্ৰতিদিন ভিক্ষা কৰিব নালাগে। আপুনি দয়া কৰি যদি অনুমতি দিয়ে—আপোনাৰ আহাৰ্য্য মই আপোনাৰ কুটিৰলৈ পঠিয়াই দিব পাৰোঁ।"

এই কথা শুনি সন্ন্যাসী শিৱনাথে হাঁহি মাৰি ক'লে, "মই দিনটোত মাত্ৰ এসাজকৈ আহাৰ কৰোঁ। এযোৰ চুৰীয়াৰেই বছৰটোৰ পিন্ধন-উৰণৰ কাম চলি যায়। গাঁওবাসীৰপৰা যি পাওঁ তাৰেই মই তৃপ্ত। তুমি বেয়া নাপাবা, আন একো মোক নালাগে।"

*

শিৱনাথ সন্ন্যাসী প্ৰকৃততেই সৰ্বত্যাগী, সেই কথাত জমিদাৰৰ মনত অলপো সন্দেহ নাথাকিল। তেওঁ ভক্তিযুক্ত মনেৰে সন্ন্যাসীক সাষ্টাংগে প্ৰণাম কৰি সন্ন্যাসীৰ কুটিৰৰপৰা ওলাই গুচি তৎক্ষণাৎ গ'ল।

*

সন্ন্যাসীক জমিদাৰে সাষ্টাংগে প্ৰণাম

নৱনাথ চহৰীয়া

কৰা আৰু সন্ন্যাসীক জমিদাৰে কোৱা কথাখিনি এটা চেমনীয়া ল'ৰাই দেখিলে আৰু শুনিলে। আৰু তেতিয়াৰেপৰাই ল'ৰাটোৱে শিৱনাথ সন্ন্যাসীৰ শিষ্য হ'বলৈ অতি আন্তৰিকতাৰে চেষ্টা কৰি থাকিল।

*

এই ল'ৰাটো—অৰ্থাৎ বৈদ্যনাথ আছিল পিতৃ-মাতৃহীন। তাৰ ক'তো কোনো-কেও নাছিল। বৈদ্যনাথে কৈ-মেলি সন্ন্যাসীৰ কুটিৰতে থাকিবলৈ ধৰিলে।

*

বহু বছৰৰ পাছত সন্ন্যাসী শিৱনাথে বৈদ্যনাথক ক'লে যে তেওঁ তীৰ্থযাত্ৰালৈ ওলাব। গাঁৱৰ ৰাইজে শিৱনাথক শিৱ-সন্ন্যাসী বুলি কৈছিল আৰু বৈদ্যনাথক কৈছিল কণসন্ন্যাসী। এদিন কণসন্ন্যাসীয়ে শিৱসন্ন্যাসীক সুধিলে, "গুৰুদেৱ, ময়ো আপোনাৰ সৈতে ওলাওঁনে?"

শিৱসন্ন্যাসীয়ে ক'লে, "বোপা, তুমি ইমান বছৰ ধৰি মোৰ সেৱা-যত্ন কৰিলা। তীৰ্থলৈ ওলোৱাৰ বাসনা ভালেই; কিন্তু সেই বয়স তোমাৰ হোৱা নাই। ইয়াত তুমি যাতে অলপো অসুবিধা নোপোৱা, তাৰ বাবে মই এই গাঁৱৰ ভগৱৎভক্ত ধৰ্মপ্ৰাণ জমিদাৰ ডাঙৰীয়াক কৈ যাম।"

*

শিৱসন্ন্যাসী তীৰ্থলৈ ওলাওঁতে কণ-সন্ন্যাসী বৈদ্যনাথ আছিল ষোলবছৰীয়া। কণসন্ন্যাসীয়ে ক'লে, "গুৰুদেৱ এই জগত-সংসাৰৰ একো মোক নালাগে; মই আপোনাৰ দৰেই দিনে এসাজকৈ খাই এই কুটিৰতে কাল যাপিম। মোৰ কাৰণে একো বিশেষ ব্যৱস্থা কৰিব নালাগে।"

*

কণসন্ন্যাসীৰ কথা শুনি শিৱসন্ন্যাসী হৃষ্টচিত্তে তীৰ্থ পৰিক্ৰমালৈ ওলাই পৰিল।

*

শিৱসন্ন্যাসী গুচি যোৱাৰ পাছত তাত কণসন্ন্যাসীয়ে উদাস মনেৰে

থাকিবলৈ ল'লে। গাঁৱৰ ৰাইজে কণ-সন্ন্যাসীক কণদেউ বুলি মাতিছিল। কণদেউৰ সা-সম্বল বোলা প্ৰায় একোৱেই নাছিল। আছিল মাথোন এটা কলহ, খোৱা-বোৱাৰ বাবে দুটামান পাত্ৰ, এখন চুৰীয়া আৰু উত্তৰীয় [চাদৰ] এখন। ইমানেই। আন একোৱেই নাছিল তেওঁৰ।

*

এনিশা কণদেউৰ উত্তৰীয় নিগনিয়ে কুটিলে। কি আৰু কৰে কণদেউয়ে—সেই নিগনিয়ে কুটা উত্তৰীয়খনেই গাত ল'লে। কণদেউৰ এই অৱস্থা দেখি সেই গাঁৱৰ এজনে কণদেউক ক'লে, "আপোনাক মই চাদৰ এখন দিব পাৰোঁ, কিন্তু সেইখনো নিগনিয়ে কুটিবই। এতিয়াৰ-পৰা আপুনি মেকুৰী এজনী পোহক।"

কণদেউয়ে কৈ উঠিল, "কি কোৱাহে? মোৰ গাৰ চাদৰখনৰ ৰক্ষণাবেক্ষণৰ বাবে মেকুৰী পুহিব লাগিব! এইদৰে বয়-বস্তু ঠিকঠাকে ৰাখিবলৈ হ'লে বহুতো কিবা-কিবি আনিব লাগিব, আৰু মই এদিন সংসাৰৰ জাবৰত পোত খাই পৰিম।"

গাঁৱলীয়া মানুহজনে মিচিক কৰে হাঁহি মাৰি ক'লে- "আপুনি হ'ল—আমাৰ শিৰ-সন্ন্যাসীৰ শিষ্য, আপুনিও সৰ্বত্যাগী। এইবোৰ জাগতিক বয়-বস্তুৱে আপোনাৰ



মনত একো সাঁচ বহুৱাব নোৱাৰে।"

*

পাছদিনা মানুহজনে নিচেই সৰু মেকুৰি পোৱালি এজনী কণদেউক দি থৈ গ'ল।

এইজনী ইমানেই সৰু যে নিজে নিজে খোৱা-বোৱাও কৰিব নোৱাৰিছিল, তাইক খুৱাই দিবলগীয়া হৈছিল। ভোকৰ পোৰণিত তাই দিনে-নিশাই মেও মেওকৈ চিঞৰি জলা-কলা কৰিছিল।

*

এদিন আন এজন গাঁওবাসীয়ে কণ-দেউক ক'লে, "আপুনি সন্ন্যাসী—কিন্তু

মেকুৰী পোৰালি তো সন্ন্যাসী নহয়। আপুনি এটা কাম কৰক জমিদাৰৰপৰা খীৰঁতী গাই এজন খুজি আনি—এই মেকুৰীজনীক গাখীৰ খাবলৈ দিয়ক। গাখীৰ—মেকুৰীয়েও খাব, আপুনিও খাব। একেটা দলিৰে দুটা চৰাই মাৰিব। আৰু একমাত্ৰ তেতিয়াহে তাই মেও মেও কেও কেও বন্ধ কৰিব।"

*

মানুজনৰ কথাত কণদেউয়ে ভালেই পালে। কণদেউ জমিদাৰৰ কাষ চাপিল। জমিদাৰে তৎক্ষণাৎ কণসন্ন্যাসীক অতি ভাল চাই খীৰঁতী গাই এজনী দিলে।

সাতদিনমানৰ পাছত গাঁৱৰে আন এজন মানুহ—মানুহজনৰ নাম ৰাজভক্ত, কণদেউৰ ওচৰলৈ আহিল আৰু ৰাজভক্তই কণদেউক ক'লে, "আপুনি মেকুৰী পোৰালিটিৰ কাৰণে গাই আনিলে, পিছে—গাইজনীক ঘাঁহ-পানী খুৱাব কোনে? এটা কাম কৰক, গাইজনীক চৰাবলৈ, ঘাঁহ খুৱাবলৈ জমিদাৰ ডাঙৰীয়াক অলপ মাটি দিবলৈ কওকগৈ। তাৰে গাইজনীৰো হ'ব, আপোনাৰো চলি যাব।" এই বুলি কৈ, কণদেউলৈ চাই, কেইখন্তেকমান তাপ মাৰি থাকি পুনৰ ক'লে, "ঠিক আছে, আপুনি একো কৰিব নালাগে। জমিদাৰক ময়েই বাৰু কৈ-মেলি মাটি অলপ ল'ম আপোনাৰ নামত, ময়েই সেই মাটিত খেতি-বাতি কৰিম, আধাখিনি আপোনাক দিম, আধা মই ল'ম, গাইজনীয়ে কোমল কোমল ঘাঁহ খাব, বঢ়িয়া গাখীৰ দিব, সেই গাখীৰ মেকুৰীজনীয়েও খায়, আপুনিও খাই থাকিব। ভাবি চাওকচোন মোৰ কথাটো—কেনে হ'ব? সাপো মৰিব, লাঠি-ডালো নাভাগিব।"

*

ৰাজভক্তৰ প্ৰস্তাৱ শুনি কণসন্ন্যাসীৰ বেয়া নালাগিল। জমিদাৰেও কণদেউক

শিৱঁসন্ন্যাসীৰ কুটিৰৰপৰা আৰম্ভ কৰি নৈৰ পাৰলৈকে বিয়পি থকা বিৰাট মাটিডোখৰ এক কথাত দান কৰি দিলে।

*

তাৰ পাছৰপৰা কণদেউয়ে পৰম আনন্দৰে, বিনাপৰিশ্ৰমেৰে দিন যাপন কৰিবলৈ ধৰিলে। ৰাজভক্তয়ো তাতে ঘৰ সাজি ল'লে, খেতি-বাতি কৰিবলৈ ধৰিলে। কথা মাত্ৰ ইমানেই নহয়। কণদেউৰ এতিয়া সুখৰো উপৰি সুখ। ৰাজভক্তৰ পৰিবাৰে কণদেউক ৰান্ধি-বাঢ়ি খুৱায়, আৰু ৰাজভক্তৰ জীয়েক কামিনীয়ে কণদেউ সন্ন্যাসীৰ আলপৈচান ধৰে।

কিছুদিনৰ পাছত ৰাজভক্তই কণ-সন্ন্যাসীক ক'লে, "মানুহৰ জীৱনৰ সকলো দিন একেদৰে নাযায়। আপুনিও এদিন বুঢ়া হ'ব। তেতিয়া এজন বা এজনীক নহ'লেই নহ'ব। আপুনি বাৰু মোৰ ছোৱালী কামিনীজনীক বিয়া নকৰায় কেলেই? কথাটো ভাবি চাব।"

*

ৰাজভক্তৰ এই প্ৰস্তাৱতো কণদেউ ৰাজী হৈ গ'ল। বিয়া কৰালে কামিনীক। সংসাৰী হ'ল। আৰু বিয়াৰ পাছত গাঁৱত কণদেউৰ নতুন নাম হ'ল কণবাবু।

*

এতিয়া কণবাবুৱে খেতি-বাতি চোৱা-চিঁতা কৰে। তিনি বছৰত কণবাবুৱে



ছুটা ল'ৰাৰো পিতৃ হ'ল। তাৰ পাছত—যেতিয়া কণবাবু ঘোৰ সংসাৰী হৈ পৰিল, তেতিয়া হঠাৎ এদিন জমিদাৰ ঢুকাল।

*

যেতিয়া জমিদাৰৰ পুত্ৰহঁতে কণবাবুৰ-পৰা সিহঁতৰ বাপতিসাহোন তথা মাটিখিনি ওভোতাই পাবলৈ যত্ন কৰিলে। এই কথাত লাগিল কাজিয়া। কাজিয়াই ক্ৰমাত দবৰা-দবৰিলৈ বাগৰিল। এই কথাত গাঁৱৰ ৰাইজো দুই দল-দুই মত হ'ল। জমিদাৰ-পুত্ৰহঁতে কণকবাবুক ভালকৈ শিক্ষা দিবলৈ গুণ্ডা লগালে। কণবাবুৰেও গুণ্ডা বিচাৰি থাকিল জমিদাৰৰ ল'ৰাহঁতক উচিত কড়ি বুকুত গুৰি দিবলৈ।

অৱস্থা যেতিয়া অতি গৰম হৈ উঠিল, তেতিয়া হঠাৎ এদিন শিৰসন্ন্যাসী তীৰ্থ সামৰি ওলালহি। জমিদাৰৰ পুহঁতে শিৰসন্ন্যাসীক দীঘল দি পৰি প্ৰণাম কৰিলে। কণবাবুৰেও দীঘল দিলে শিৰ-সন্ন্যাসীৰ চৰণত। শিৰসন্ন্যাসীয়ে তাত গোট খোৱা ৰাইজক সুধিলে, "বিছ বছৰৰ আগতে ইয়াত যিখন কুটিৰ আছিল—নৈৰ পানীৰ তলত গ'লনে কি?" এই কথা শুনিয়েই কণবাবু পুনৰ সন্ন্যাসীৰ চৰণত দীঘল দি পৰিল।

ৰাতিৰ পৰতে কণবাবুৰে শিৰসন্ন্যাসীক ক'লে, "গুৰুদেৱ, এতিয়া মোৰ আৰু সংসাৰত মন নাই। মই এতিয়া সকলো তিয়াগি তীৰ্থযাত্ৰালৈ ওলাব পাৰোঁ বুলি অনুভৱ কৰিছোঁ।"

শিৰসন্ন্যাসীয়ে আনন্দৰে ক'লে' "সংসাৰ ত্যাগ কৰাৰ—এয়েহে শ্ৰেষ্ঠ সময়। তোমাৰ ল'ৰাহঁতো ডাঙৰ হ'ল। সিহঁতেই সংসাৰখন সুকলমে চলাব পাৰিব।"

এই ঘটনাৰ কিছু দিনৰ পাছত এখন চুৰীয়া পিন্ধি আৰু মাত্ৰ চাদৰ এখন গাত লৈ কণবাবুৰে পুনৰ কণসন্ন্যাসী ৰূপে তীৰ্থলৈ বুলি খোজ ল'লে।

ভাৱন্তা আৰু কৰন্তা

ৰংপুৰৰ জমিদাৰ ৰামশৰ্মাক বহু চেষ্টাতো পিতৃ-মাতৃয়ে লিখা পঢ়াত ধৰাব নোৱৰা হ'ল। কিন্তু হ'লে কি হ'ব—ৰামশৰ্মাৰ আদায় উচুলৰ ধান্দা অতি প্ৰখৰ। কাৰপৰা কেনেকৈ কিমান-খিনি কৰ আদায় কৰিব পাৰি, কাৰ চৰুত চাউল নাইকিয়া কৰিব পাৰি, সেইবোৰ চিন্তা কৰাত ৰামশৰ্মা ওস্তাদৰো ওস্তাদ। আৰু ওস্তাদ ৰকম-বিৰকম খোৱা বস্তুৰ বিষয়ে সদায় মূৰ ঘমোৱাত।

ৰামশৰ্মা যি হওক-যা হওক, জমিদাৰ তো হয়। তাৰ তলত কাম কৰিছিল বেণুগোপাল নামৰ আন এটি ভাৱন্তাই। বেণুও সদা-সৰ্বক্ষণ ভাৱনা বা ভাৱত মগ্ন।

এনিশা এক ডাঙৰ শব্দ উঠাত ৰামশৰ্মা শোৱাকোঠাৰপৰা ওলাই আহিল, আৰু বেণুক বাৰান্দাত বহি থকা দেখা পাই সুধিলে, "হেৰা বেণু, কি কৰিছাহে? তুমি কিবা কথাত বৰ চিন্তাত পৰিছা যেন পাইছোঁ। কথানো কি?"

"মই ভাবিছোঁ—চোৰবিলাক আউঁসীৰ ৰাতি ওলায় কিয়। জোনাকৰাতিবিলাকত চোৰবিলাকে কি কৰে!" বেণুগোপালে ধেনু এটিৰ দৰে ক'লে।

কিন্তু বেণুৰ উত্তৰ শুনি ৰামশৰ্মাই বৰ ভাল পালে। ৰামশৰ্মাই ভাবিলে: বাস্তৱিক, বেণুৰ ঠাই চিন্তাবিদসকলৰ শাৰীত; ইয়াত সি অযোগ্য। যি কি নহওক, ৰামশৰ্মাই বিছনাত দীঘল দিলেগৈ। কিন্তু টোপনি নহাত পুনৰ ওলাই চাবৰ মন গ'ল যে চিন্তাবিদ বেণুৱে তেতিয়া তাত কি কৰি আছে।

ৰণজয় সিংহ

ওলাই আহি ৰামশৰ্মাই বেণুক তেতিয়ালৈকো তাত বহি থকা দেখা পাই ক'লে, "হেৰাহে বেণু, তুমি নোশোৱানে কি ? কিনো ভাবি আছা ?"

"শুমনো কেনেকৈ ? মই ভাবি ভাবি এই ভাগফলটো মিলাব পৰা নাই যে—চোৰবিলাকে আউসীৰ ৰাতি চুৰি কৰিবলৈ ওলাই কেৱল ধন থকা ধনীহঁতৰ ঘৰতে চুৰ কৰে কিয় ? দুখীয়াহঁতলৈ সিহঁতে কিয় ইমান উপেক্ষা প্ৰদৰ্শন কৰে ?" বেণুৱে ভেনভেনালে।

ৰামশৰ্মাই শলাগ ল'লে বেণুৰ, ক'লে, "সঁচ্চা, বেণু, তুমি বিভিন্ন বিষয়ত কিমান দ'কৈ ভাবিব পাৰা যে ! তোমাৰ জৱাব নাই।" তাৰ পাছত, ৰামশৰ্মাই শুলেগৈ।

ৰাতি পুৱাল। সাৰ পাই উঠি ৰামশৰ্মা কোঠাৰপৰা ওলাল। ওলায়েই বেণুক তাতে বহি থকা দেখি সুধিলেগৈ, "অ' বেণু, এতিয়াও—ভাবিয়েই আছা !"

"ভাবিছো—" বেণুৱে এজন চিন্তাবিদৰ দৰে ক'লে, "চোৰবিলাকে আপোনাৰ ধন-ভঁৰাল উদি কৰি নিলে, নিলে বাৰু : কিন্তু ইমান ধন-সোণৰে সিহঁতে কৰিব কি !"

ৰামশৰ্মাৰ মূৰত যেনিবা আকাশখন ভাগি পৰিল। সি খৰখুজীয়াকৈ ধন-ভঁৰাললৈ সোমালগৈ আৰু তৎক্ষণাৎ ওলাই আহি বেণুক ক'লে, "জীৱনত ঢেৰ বুৰ্বক দেখিলোঁ ; কিন্তু তোৰ নিচিনা ঢেপেৰা বুৰ্বক ক'তো-কেনিও দেখা নাই। চোৰবিলাকে—তই সাৰে থাকোঁতেই—সকলো চাঁচি-চুৰুকি লৈ গ'ল আৰু তই ঢেপেৰাই চিঞৰ এটাও মাৰিব নোৱাৰিলি ? তেতিয়ানো মুখত কিটো—ক' এতিয়া কি ভাবিছ ক, মোৰ কথাৰ উত্তৰ দে।"

তেতিয়াহে ৰামশৰ্মাৰ বুদ্ধিৰ দুৱাৰ মেল খাই পৰিল। ভাৰপ্ৰাপ্ত বেণুক তৎক্ষণাৎ বিদায় দি তাৰ ঠাইত কৰন্তা এজনক মকৰল কৰিলে।

জ্বালা দ্বীপ

৭

সেই ভয়ংকৰ চৰাইবিলাকক অমৰপালে মাত্ৰ জনাদিয়েক সৈন্য লগত লৈ হেলাৰঙে মাৰি পেলাব পাৰিলে। জ্বালাদ্বীপিয়াইঁতে ৰাজকুঁৱৰী কান্তিমতীক দোলাত উঠাই এক অজান ঠাইলৈ লৈ যাবলৈ ধৰিলে। এই ৰাতৰি পোৱামাত্ৰেই ৰাজকুঁৱৰী কান্তিমতীক যেনেতেনে উদ্ধাৰ কৰিবলৈ চিত্ৰসেন আৰু উগ্ৰাক্ষো দ্ৰুতগতিৰে আগবাঢ়িল। আৰু ইপিনে জ্বালাদ্বীপিয়াইঁতে কান্তিমতীক মাৰি পেলাবলৈ আদেশ দিলে। তাৰ পাছত…

জ্বালাদ্বীপিয়াইঁতৰ নেতাই নাগবৰ্মাৰ আদেশৰ কথা, অৰ্থাৎ ৰাজকুঁৱৰী কান্তিমতীক হত্যা কৰাৰ কথা তাৰ অনুচৰহঁতক চিঞৰি চিঞৰিয়েই কৈছিল। আৰু এই কথা শুনাৰ লগে লগে দুফালৰ পৰা চিত্ৰসেন আৰু উগ্ৰাক্ষই জ্বালাদ্বীপিয়াইঁতক চেপেনা ধৰা দি ধৰিলেহি। তীব্ৰ-তীক্ষ্ণ যুদ্ধ আৰম্ভ হ'ল। বহু সময় ধৰি যুদ্ধ কৰাৰ পাছত জ্বালাদ্বীপিয়াইঁতৰ নেতাই সিহঁতৰ পৰাজয় অনিবাৰ্য্য বুলি ভাবি



এহাতত টঙোন আৰু অন্য হাতত তৰোৱাল দাঙি ধৰি কান্তিমতীক তৎমুহূৰ্ততে হত্যা কৰিবলৈ টানি আদেশ জাৰী কৰিলে। তেতিয়া চিত্ৰসেনে ভাবিলে ঃ দোলাখন পৰ দি ৰৈ থকাহঁতক মাৰি নেপেলোৱালৈকে কান্তিমতীক উদ্ধাৰ কৰা সম্ভৱ নহ'ব। এয়ে একমাত্ৰ উপায়, আন উপায় নাই।

প্ৰচণ্ড গতিৰে তৰোৱাল ঘূৰাই চিত্ৰসেন দোলাখনৰ পিনে গৈ থাকিল। ঠিক তেতিয়াক এক অদ্ভুত দৃশ্য দেখি চিত্ৰসেনে চিত্ৰাৰ্পিতৰ দৰে খন্তেকমানৰ বাবে ৰৈ দিলে। চিত্ৰসেনে দেখা পালে—ৰাজকুঁৱৰী কান্তিমতী দোলাৰপৰা ওলাই আহি এজন মৃত সৈন্যৰ তৰোৱালখন টানি উলিয়াই আনি, দাঙি লৈ, বাঘছাল পিন্ধা জ্বালাদ্বীপিয়াহঁতক আক্ৰমণ কৰিছে!

অলপ আঁতৰৰপৰা এই দৃশ্য দেখি উগ্ৰাক্ষই চিঞৰি কৈ উঠিল, "কান্তিমতী—তোমাৰ একো ভয় নাই। তুমি যে ক্ষত্ৰিয়ৰ জীয়ৰী, সেই কথাৰ প্ৰমাণ দিলা।" এই বুলি কৈ কৈ উগ্ৰাক্ষই অতি দ্ৰুতগতিৰে দোলাখনৰ পিনে আগুৱাই গৈ থাকিল। উগ্ৰাক্ষই তাৰ বিৰাট টাঙোনেৰে কেইটামান জ্বালাদ্বীপিয়াক হেলাৰঙে খতম্ কৰিলে। উগ্ৰাক্ষৰ টাঙোনৰ আঘাতৰপৰা সাৰি যোৱা জ্বালাদ্বীপিয়াহঁতক বীৰ নাৰী কান্তিমতীয়ে এটা এটাকৈ ঘচং ঘচংকৈ কচুকটা দি থাকিল।

আৰু এইদৰে, উগ্ৰাক্ষ আৰু চিত্ৰসেন কান্তিমতীৰ কাষ পালেগৈ। উগ্ৰাক্ষই কান্তিমতীক ক'লে, "মাননীয়া ৰাজকুঁৱৰী কান্তিমতী! এয়া মোৰ কাষত থিয় হৈ থকাজন হ'ল ভুৱনবিদিত বীৰ মহাৰাজ চিত্ৰসেন।"

এই কথাৰ একো উত্তৰ নিদিয়াকৈ কান্তিমতী তৎক্ষণাৎ পুনৰ দোলাৰ ভিতৰলৈ সোমাই গ'ল।

ৰাজকুঁৱৰী কান্তিমতীৰ এনে আচৰণ অস্বাভাৱিক যেন লাগিল চিত্ৰসেন আৰু

উগ্ৰাক্ষৰো। চিত্ৰসেনৰ খং উঠিল। ইমান বিপদ পাৰ হৈ আহি কান্তিমতীক ৰক্ষা কৰাৰ ফলস্বৰূপ এনেহেন পৰিণতি! ৰাজকুঁৱৰীয়ে কৃতজ্ঞতা প্ৰকাশ কৰাহে উচিত আছিল। এনে অস্বাভাৱিকভাৱে অপমান পাই চিত্ৰসেনে উগ্ৰাক্ষক কৈ উঠিল, "উগ্ৰাক্ষ, আমাৰ কৰ্তব্য শেষ হ'ল, ব'লা, আমি উভতি যাওঁ ব'লা। এতিয়া আমি পোনে পোনেই ধৰলগিৰিলৈ ৰাওনা হ'ম'। তুমি এই কথাটো সৈন্যহঁতক কোৱাঁগৈ, যোৱা।"

কিন্তু উগ্ৰাক্ষই ক'লে, "আমি— অনতিপলমে কপিলপুৰলৈ যোৱা উচিত বুলিহে মই ভাবিছিলোঁ। কপিলপুৰৰ ৰাজধানীত জুই নলগালে এই সমস্যাৰ সমাধান নহ'ব। পোনে পোনেই কপিলপুৰ আক্ৰমণ কৰি ৰাজদ্ৰোহী নাগবৰ্মাক শাস্তি দিয়াটো—একপ্ৰকাৰে ঠিকঠাক হৈছিলেই দেখোন।" উগ্ৰাক্ষ অলপ ৰ'ল, আৰু চিত্ৰসেনক চিন্তিত হোৱা যেন দেখি পুনৰ ক'লে, "চিত্ৰসেন, তুমি আন ধৰণে কিবা ভাবি আছানে? কেৱল ৰাজকুঁৱৰী কান্তিমতীক উদ্ধাৰ কৰিয়েই আমাৰ কৰ্তব্যৰ অন্ত পৰিলনে?"

"আমি ৰাজকুঁৱৰীক উদ্ধাৰ কৰিলোঁ!" চিত্ৰসেনে তিহতিহাই উঠি কোৱাদি ক'লে, "ৰাজকুঁৱৰীৰ আও-ভাও চাই আমাকহে তেওঁ উদ্ধাৰ কৰা যেন লাগিছে। জ্বালা-দ্বীপিয়াহঁতৰ লগত চুক্তি কৰি বদমাছ নাগবৰ্মাই মহাৰাজ বীৰসিংহক বন্দী কৰি জ্বালাদ্বীপলৈ পঠোৱাৰ সংবাদ অমৰপালে আমাক দিলে। এতিয়া কথা হ'ল— কপিলপুৰ আক্ৰমণ কৰি আমাৰ ঘৃণ্য শত্ৰুহঁতক তাৰপৰা খেদি কাকনো সিংহাসনত বহুৱাম?"

হঠাৎ ৰাজকুঁৱৰী কান্তিমতী পুনৰ দোলাৰপৰা ওলাই আহিল আৰু ৰজা চিত্ৰসেনলৈ সন্দেহৰ চকুৰে চাই ক'লে, "ৰাজদ্ৰোহী নাগবৰ্মাই মোৰ দেউতাক

বন্দী কৰি জ্বালাদ্বীপলৈ পঠোৱাৰ সংবাদ দিয়া অমৰপালনো কোন? তাৰ আচল পৰিচয় কি?"

"অমৰপাল হ'ল কপিলপুৰৰ অধিবাসী। নাগবৰ্মাৰ সৈন্যহঁতৰ লগ লাগি আমাৰ দেশলৈ যোৱাত আমাৰ হাতত ধৰা পৰিল। তাৰপৰা আমি শত্ৰুপক্ষৰ বহু নজনা কথা জানিব পাৰিলোঁ। বিভিন্ন কথাত অমৰপালে আমাক ভালেখিনি সহায় কৰিছে।" চিত্ৰসেনে ক'লে।

চিত্ৰসেনৰ কথাৰ উত্তৰত কান্তিমতীয়ে ক'লে, "অমৰপালৰ কথা সঁচা নহয়। সঁচা ঘটনাৰ কথা অমৰপালে কিজানি নাজানেই। মোৰ দেউতা আমাৰ প্ৰাসাদৰ কোনোবা এটা সুড়ংগৰ ভিতৰত বন্দী হৈ আছে।"

"হয়নে—! অতি আচৰিত কথা!" চিত্ৰসেনে কৈ উঠিল।

"তেনেহ'লে—এতিয়া মহাৰাজক উদ্ধাৰ কৰাটোৱেই হওক আমাৰ প্ৰথম কাম।" উগ্ৰাক্ষই ক'লে।

"তোমাৰ কথা শুনি মোৰ বচন এফাকি মনত পৰিল—যাৰ বিয়া তাৰ হুঁচ নাই, চুবুৰীয়াৰ ঘুমটি নাই। আমাৰ কিহৰ কৰ্তব্য? কোনোবাই-কোনোবাজনীয়ে আমাৰপৰা কিবা সহায়-সাৰথি বিচাৰিছে জানো?" চিত্ৰসেনে উগ্ৰাক্ষক ডাবি মৰাৰ দৰে কথাখিনি ক'লে।

"আন কোনোবাই-কোনোবাজনীয়ে আপোনালোকৰপৰা সহায় বিচাৰিছে নে বিচৰা নাই ক'ব নোৱাৰোঁ, পিছে—মই আপোনালোকৰপৰা সহায় বিচাৰিছোঁ।" কান্তিমতীয়ে চিত্ৰসেনক ক'লে।

অলপ সময়ৰ আগলৈকে৷ ৰাজকুঁৱৰীৰ-পৰা যি আচৰণ পাইছিলোঁ, তাৰে মোৰ নিজক বৰ হীন বুলি বোধ হৈছিল। বোধ হৈছিল—যেনিবা মই নগণ্য এক সামন্ত, ৰজা নহয়। মোৰ সম্পৰ্কে একো নজনাৰ কাৰণেই বোধকৰোঁ ৰাজকুঁৱৰীৰ

এনে ধাৰণা হৈছিল। এই মুহূৰ্তত ৰাজকুঁৱৰী যি ঠাইত আছে, সেই ঠাই আমাৰ ৰাজ্যৰ অন্তৰ্ভুক্ত। সৌৱা—অলপ দূৰত থকা প্ৰাসাদটো মোৰ। আৰু—প্ৰাসাদৰ সিফালেই মোৰ ৰাজধানী।” চিত্ৰসেনে গম্ভীৰ কণ্ঠেৰে কথাবোৰ ক'লে।

ৰাজকুঁৱৰীয়ে তেওঁৰ ওঁঠৰ কোণত জিলিকি উঠা হাঁহি ৰখাই ক'লে, “এই বনাঞ্চল যে আপোনাৰ—উগ্ৰাক্ষৰপৰা মই জানিছোঁৰেই।”

চিত্ৰসেনে তীব্ৰ দৃষ্টিৰে উগ্ৰাক্ষলৈ চালে। উগ্ৰাক্ষ তলমূৰ হ'ল। সি কান্তিমতীক ক'লে. “যদিও এই বিস্তীৰ্ণ অঞ্চল মোৰ, তথাপি. সচ্চতে মই মহাৰাজ চিত্ৰসেনৰ অধীনত আছোঁ কাৰণে এই অঞ্চলো তেওঁৰ বুলিয়েই ক'ব পাৰি।”

“যি হওক, এতিয়া মোৰ সকলো সন্দেহ গুচিল। এতিয়া মই মহাৰাজ বীৰসিংহৰ একমাত্ৰ কন্যা — কান্তিমতীয়ে চিত্ৰনগৰৰ মহাৰজা চিত্ৰসেনলৈ সবিনয়ে অনুৰোধ জনাইছোঁ মোৰ বন্দী পিতৃক মুক্ত কৰিবলৈ আৰু লগতে ৰাজদ্ৰোহী পামৰ নাগবৰ্মাক উচিত দণ্ড বিহিবলৈ।” ৰাজকুঁৱৰী কান্তিমতীয়ে চিত্ৰসেনৰ ওচৰত সহায় প্ৰাৰ্থনা কৰিলে।

কান্তিমতীৰ এই কথাই চিত্ৰসেনক উদ্বুদ্ধ কৰি তুলিলে। তেওঁ উগ্ৰাক্ষলৈ ঘূৰি থিয় হৈ ক'লে, “উগ্ৰাক্ষ, এই অঞ্চল তোমাৰ বুলি কোৱাটো তোমাৰ অন্যায় হৈছে। তুমি মোৰ অধীনত আছা—এই কথা সঠিক নহয়। তুমি হ'লা ৰাক্ষস আৰু মোৰ সেৱক। মোৰ কথা বুজি পাইছানে?”

“নিশ্চয় বুজি পাইছোঁ, মহাৰাজ। আপোনাৰ সেৱা কৰাটোহে মোৰ একমাত্ৰ কাম।” উগ্ৰাক্ষই চিত্ৰসেন আৰু কান্তিমতীকো প্ৰণাম কৰিলে।

কান্তিমতীয়ে চিত্ৰসেনক সুধিলে, “আশাকৰোঁ—বাঘছাল পিন্ধাইঁতৰ এটাও



জীয়াই থকা নাই?”

চিত্ৰসেনে তেওঁৰ অনুচৰহঁতক ক'লে, “ৰাজকুঁৱৰীৰ অনুমান যে সঁচা, সেই কথা তোমালোকে প্ৰমাণ কৰিলা। এতিয়া—তোমালোকৰ মাজত চাৰিজনে এইখন দোলা কঢ়িয়াই নিবলৈ সাজু হোৱা।” চিত্ৰসেনে কান্তিমতীক ক'লে, “ৰাজকুঁৱৰী, দোলাত উঠাৰ সময় হ'ল।”

কান্তিমতীয়ে ক'লে, “দোলাৰ ভিতৰত বহিলে নিজক বন্দিনী যেন লাগে, মই আপোনালোকৰ লগে লগে ঘোঁৰাত উঠি যাম, যদি আপত্তি নাই।”

“মহাৰাজ! আপুনি আপত্তি নকৰিব। আমাৰ ৰাজকুঁৱৰীৰ যে যুদ্ধতো দক্ষ—অলপ সময়ৰ আগতে আমি তাৰ প্ৰমাণ পাইছিলোঁৱেই।” উগ্ৰাক্ষই ক'লে।

তাৰ পাছত সকলো দলে-বলে ৰাওনা হ'ল। কিছু সময়ৰ অন্তত তেওঁলোক কপিলপুৰ পালেগৈ। বহু দূৰৰপৰাই চিত্ৰসেনে এই কথাটো ফটফটীয়াকৈ বুজি পোৱা হ'ল যে এই ৰাজপ্ৰাসাদ শক্ৰ-পৰিবেষ্টিত হৈ আছে। আৰু প্ৰাসাদৰ ওপৰত পাক খাই খাই দুটা সেই ভয়ংকৰ চৰাই উৰি ফুৰিছে।

এই ভয়ংকৰ চৰাই দুটাক উৰি ফুৰা দেখি চিত্ৰসেন আৰু উগ্ৰাক্ষো অবাক হৈ পৰিল। উগ্ৰাক্ষই চিত্ৰসেনক ক'লে, “মহাৰাজ, আটাইবোৰ চৰাইক পুৰি পেলোৱা হৈছিল বুলি অমৰপালে কোৱা কথাষাৰ মিছানে কি? আৰু অমৰপালৰ লগত যোৱা সৈন্যকেইজনো দেখোন উভতি নাহিল। সিহঁতক শক্ৰৰে বন্দী কৰিলেইনে?”

চিত্ৰসেনেও এনেবোৰ কথা ভাবি আছিল। চিত্ৰসেনে ৰাজপ্ৰাসাদৰ প্ৰধান দুৱাৰলৈ চাই পঠালে। কিন্তু তাত মৃত অৱস্থাত কোনো পৰি থকা নাই। এনেতে দ্ৰুতগতিৰে অমৰপাল আহিল আৰু অমৰপালে চিত্ৰসেনক ক'লে,

"মহাৰাজ! বিৰাট এক সৈন্যবাহিনী লগত লৈ নাগবৰ্মা ধৰাপৰা গিৰিলৈ ৰাওনা হ'ল। ৰাওনা হোৱাৰ আগতে নাগবৰ্মাই এই প্ৰাসাদ পৰ দিবলৈ ব্যৱস্থা কৰি গ'ল। দুটা ভয়ংকৰ চৰাই প্ৰাসাদৰ ওপৰত উৰি ফুৰিছে। প্ৰাসাদৰ ভিতৰত এটা চৰায়ো নাই। প্ৰাসাদ পৰ দি থকা সৈন্যৰ সংখ্যাও বৰ বেছি নহয়। কিন্তু মোৰ লগত থকা সৈন্যকেইজনে সিহঁতক পৰ্যুদস্ত কৰিব নোৱাৰিব বুলি ভাবি ইমানপৰে আপোনাৰ অহালৈ বাট চাই ৰৈ আছিলোঁ।"

"খুব বুদ্ধিমানৰ দৰে কাম কৰিলা! তোমালোকে প্ৰাসাদ অধিকাৰ কৰাৰ চেষ্টা কৰাহেঁতেন আটাইকেইজনেই মৰিলাহেঁতেন। আমালৈ বাট চাই ভাল কাম কৰিলা।" চিত্ৰসেনে উগ্ৰাক্ষক ক'লে, "উগ্ৰাক্ষ, আমি এতিয়াই প্ৰাসাদ আক্ৰমণ কৰিম। নহ'লে—পাছত কথাটো আৰু টান হৈ পৰিব। প্ৰাসাদৰ ভিতৰলৈ —ইচ্ছা হ'লে তোমাৰ অনুচৰহঁতো প্ৰাসাদত সোমাব পাৰে।"

উগ্ৰাক্ষই ভয়াৰ্ত দৃষ্টি মেলি সেই চৰাই দুটালৈ চাই ক'লে, চৰাইৰ কি হ'ব?"

"সিহঁতৰ বন্দৱস্ত মই কৰিম।" অমৰপালে দৃঢ়তাৰে ক'লে।

"কেনেকৈ কি কৰিবা, অমৰপাল?" চিত্ৰসেনে বিস্ময়ৰে সুধিলে।

"আজি ৰাতিপুৱা মই পৰীক্ষা কৰি চাইছোঁ। জুই দেখা মাত্ৰেই চৰাই দুটাই ভীষণ ভয় খাইছে। প্ৰাসাদৰ ভিতৰলৈ সোমাই যোৱাহঁতৰ মাজত এজনৰ হাতত যদি জ্বলি থকা জোঁৰ থাকে—চৰাই দুটা ওচৰে-পাজৰে নাহিব। জুই দেখা মাত্ৰেই সিহঁত দুটা জাঁপ মাৰি গুচি যাবগৈ।" অমৰপালে নিৰ্ভৰযোগ্যভাৱে কথাখিনি কৈ পাক খাই খাই উৰি ফুৰা চৰাই দুটালৈ ঘূৰি চালে। [অহা সংখ্যাত

আত্ম-শ্লাঘা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল, আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ এই প্ৰচেষ্টাৰ প্ৰশংসা নকৰি নোৱাৰোঁ। কিন্তু তোমাৰ এই অকল্পনীয় প্ৰচেষ্টাৰ গুৰিত তোমাৰনে আন কাৰোবাৰ কিবা স্বাৰ্থ বা শ্লাঘা আছে সেই কথা ঠাৱৰ কৰিব পৰা নাই। এই প্ৰসংগত পিতা-পুত্ৰৰ কাহিনী এটি কওঁ শুনা। পিতা-পুত্ৰৰ এই কাহিনী শুনি শুনি বাট বুলিলে তোমাৰ পথশ্ৰম কথঞ্চিত নিশ্চয় লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

সুপ্ৰাচীনকালত ধৰণীগিৰি নামৰ

'বেতাল-কথা'



গাঁও এখনত প্ৰসন্ন নামৰ এজন ধনী খেতিয়ক আছিল। প্ৰসন্নৰ আছিল দুটা ল'ৰা। ডাঙৰ ল'ৰাৰ নাম জিতেন্দ্ৰ, সৰুজন জ্ঞানেন্দ্ৰ। জিতেন্দ্ৰ আছিল শান্ত কিন্তু জ্ঞানেন্দ্ৰ চঞ্চল। কিবা কাম কৰাৰ আগতে জিতেন্দ্ৰই ভবা-গুণা কৰি লৈছিল ; কিন্তু জ্ঞানেন্দ্ৰ আছিল জিতেন্দ্ৰৰ বিপৰীত।

প্ৰসন্নই আনৰ দ্বাৰা খেতি-বাতি কৰোৱাইছিল ; কিন্তু নিজেও, চোৱা-চিতা কৰিছিল। প্ৰসন্নৰ ধাৰণা আছিল যে— খেতি-বাতি নিষ্ঠাৰে নকৰাৰ অৰ্থ হ'ল ভূদেৱীৰ অপমান।

এই কামত প্ৰসন্নৰ লগত জিতেন্দ্ৰই সদায় হাত উজান দিছিল। কিমান অধিককৈ শস্য ওপজাব পাৰি, জিতেন্দ্ৰয়ো দ'কৈ সেইবোৰ কথা ভবা-গুণা কৰিছিল আৰু ন ন পদ্ধতিৰে খেতি-বাতি কৰি, অধিকৰো অধিক শস্য ওপোজাই, দহোখন গাঁৱৰ ৰাইজৰ শলাগৰ পাত্ৰ হৈ উঠিছিল।

আনহাতে, জ্ঞানেন্দ্ৰই কোনোদিনেই খেতি-পথাৰলৈ নগৈছিল। সি তাৰ দেউতাকৰ পৰামৰ্শমতে এটা কামো নকৰা হৈছিল। সি কেৱল আড্ডা মাৰিছিল।

ৰাইজৰ মনত তাৰ প্ৰতি বিৰূপ ভাৱৰ কথা জ্ঞানেন্দ্ৰয়ো বুজাকৈ নাছিল ; কিন্তু খেতিৰ কামত হাত উজানদিয়াৰ কথা তাৰ কল্পনায়ো ঢুকি নাপাইছিল।

কিন্তু হঠাৎ এদিন, জ্ঞানেন্দ্ৰই তাৰ দেউতাকক ক'লেহি, "দেউতা, আনে কোৱাৰ দৰে তুমিও মোক সদায় ধোদৰ পচলা বুৰ্বক ঢেপেৰা কত কি যে নকৈছা। কৈছা, আৰু কৈয়ো থাকিবা। কিন্তু মই নিৰুপায়। খেতি-বাতিৰ কামত মোৰ যে একেবাৰে মন নাই। যদিও মই কাৰবাৰত ধৰিম বুলি খাটাং কৰিছোঁ। কাৰবাৰ কৰিবলৈ হ'লে ৰাজধানীতহে কৰিব লাগে, ময়ো তাত কাৰবাৰ কৰিম। মই তোমাৰ আৰু লোকৰ আগত প্ৰমাণ কৰি দিম যে মই ধোদৰ পচলা নহওঁ,

ধিতপিলিঙা নহওঁ, ধাৰে-বাৰে সকলোতে কাটিব পৰা মানুহ। তুমি মোক ৰাজধানীত ঘৰ এটা লৈ দিয়া।”

কথা শুনি প্ৰসন্নই পদাপাল দেখা যেন পালে। এই পচুলি শুঙাটোৱে কয় কি! প্ৰসন্নই মুখেৰে ক'লে, “কাৰবাৰ কৰিবলৈ হ'লে টকা লাগে, টকা, বুজিছ? টকা ক'ত পাবি?”

“তুমি দিবা।” জ্ঞানেন্দ্ৰই গুণ টানিলে, “তোমাৰ পচন খেতি, মই যি বেয়া পাওঁ অতি। মোৰ মন বেহা-বেপাৰত, তোমাৰ ধন হয়তো তুমি নখটাবা এই কামত। পিছে—ল'ৰা হিচাপে মোৰ ভাগ এটা আছে নিশ্চয়। মোক লাগে মোৰ ভাগৰ ধন। কাৰবাৰত মোৰ মন।”

প্ৰসন্নৰ প্ৰচণ্ড খং উঠিল জ্ঞানেন্দ্ৰৰ গালে গপ মৰা কথা শুনি। তেওঁ ক'লে, “আমাৰ চৈধ্য পুৰুষে খেতি-বাতি কৰিছোঁ, তাকে এৰি, কাৰবাৰত মই ধৰি তুমি ৰাজধানীলৈ যাবা? কিয় যাবা? কাৰবাৰ ইমানেই সহজ কথা হ'লনে? মই ধনো নিদিওঁ, তোমাক ৰাজধানীলৈ যাবলৈকো নিদিওঁ।

কিন্তু প্ৰসন্নো বাৰেৰে, জ্ঞানেন্দ্ৰো তেৰেৰে। সি ক'লে, “মই বেপাৰ-বণিজ কৰিমেই কৰিম। তুমি এনেয়ে নিদিলে—পোন আঙুলিৰে ঘিঁউ নুঠিলে—মই মোৰ সম্পত্তিৰ ভাগ দাবী কৰিমেই।”



এই কথাত লাগিল কাজিয়া। বাপেক আৰু পুতেকৰ মাজত দবৰা-দবৰিৰ উপক্ৰম হ'ল। গাঁৱৰ গাঁওবুঢ়াৰপৰা আৰম্ভ কৰি মান্য-গণ্যসকল আহিল, কিন্তু তথাপি বাবাক-পুতেকৰ কাজিয়াৰ অন্ত নপৰিল।

পাছদিনাও এই কাজিয়া পূৰাদমে চলি থকাত তেওঁলোক আকৌ আহিল, আৰু এইবাৰ এইদৰে সিদ্ধান্ত তথা মীমাংসা কৰিলে :

প্ৰসন্নই তেওঁৰ পুতেক জ্ঞানেন্দ্ৰক অলপ ধন দিব। এবছৰমানৰ পাছত, কাৰবাৰৰ লাভ-লোকচানলৈ চাই, প্ৰসন্নই আৰু অলপ ধন দিব। দ্বিতীয় বছৰতো কাৰবাৰত লাভ নহ'লে জ্ঞানেন্দ্ৰই বেহা-বেপাৰ এৰি দেউতাকৰ লগত খেতি-বাতিৰ কামত ধৰিব লাগিব।

গাঁৱৰ মুখ্যফুটাসকলৰ এই সিদ্ধান্ত জ্ঞানেন্দ্ৰই মানি ল'লে। প্ৰসন্নয়ো অনিচ্ছাসত্বেও গাঁৱৰ দহোৰাইজৰ ইচ্ছালৈ সন্মান জনালে। বাধ্যত পৰি পুতেকক টকা অলপ দিলে তেওঁ।

মাক-দেউতাকক প্ৰণাম কৰি ৰাজধানীলৈ ওলোৱা জ্ঞানেন্দ্ৰই আশীৰ্বাদ খুজিলে। মাকে চকুপানী টুকি আশীৰ্বাদ দিলে। কিন্তু অপ্ৰসন্ন প্ৰসন্নই বিৰক্তি:ৰ ক'লে, "তোমাৰ এই কাৰবাৰত মোৰ এতিয়াও একেবাৰে সমৰ্থন নাই. আশীৰ্বাদ-টাশীৰ্বাদৰ প্ৰশ্নই নুঠে। কোনো ধৰণৰ সহযোগিতাও নকৰোঁ মই।"

জ্ঞানেন্দ্ৰ ৰাজধানীলৈ গ'ল, বেহা-বেপাৰ আৰম্ভ কৰিলে। কিন্তু—চাওঁতে চাওঁতে কিছুমান আড্ডাবাজৰ লগত সি চিনাকি হৈ পৰিল। সিহঁত লগত আড্ডা মাৰি, মদ-ভাং খাই, দেউতাকে ধনখিনি নষ্ট কৰি, টান বেমাৰত পৰি. ছমাহ পাৰ নৌহওঁতেই জ্ঞানেন্দ্ৰ ঘৰলৈ উভতি আহিল। তাৰ অৱস্থা দেখি মাকে হুৰাওৱাৰে কান্দিলে; কিন্তু বাবাক প্ৰসন্নই ঘূৰিও নাচালে, যদিও তাৰ

চিকিৎসাৰ বন্দৰস্ত নকৰাকৈ নাথাকিল।

জ্ঞানেন্দ্ৰৰ বেমাৰ ভাল হোৱাৰ পাছত প্ৰসন্নই তাক ক'লে, "এতিয়া নিশ্চয় তোমাৰ অলপ জ্ঞান হ'ল। কাইলৈৰপৰা তুমিও জিতেনৰ লগে লগে খেতি-পথাৰলৈ যাবা, তাৰপৰা মনপুতি খেতি-বাতিৰ কাম শিকি ল'বা।"

জ্ঞানেন্দ্ৰই পিতাকৰ কথাত একো প্ৰতিবাদ নকৰিলে। অতি অনিচ্ছাসত্বেও সি খেতি-বাতিৰ কামত হাত উজান দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা! এই বাপেক-পুতেকৰ মাজত কাক প্ৰকৃততে আমঠ বুলি ক'ব পাৰি? জ্ঞানেন্দ্ৰৰ মন পৰিৱৰ্তিত হ'ল কি কাৰণে? পিতৃ প্ৰসন্নই দিয়া ধন নষ্ট হোৱাত পুত্ৰ জ্ঞানেন্দ্ৰ অনুতপ্ত হৈছিলনে? কিয় সি তাৰ মনৰ ইচ্ছাৰ বিৰুদ্ধে খেতি-বাতি কামত লাগিলগৈ? সঠিককৈ জনা সত্বেও যদি মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া—তেনেহ'লে তোমাৰ মুৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "পিতৃ-পুত্ৰৰ মাজত যি কথা-কাণ্ড-খিনি ঘটিল—তাৰ বাবে প্ৰসন্নই পৰিপূৰ্ণভাৱে দোষী। জ্ঞানেন্দ্ৰ আড্ডাবাজ; কিন্তু তাৰ সাধাৰণ জ্ঞান যথেষ্ট আছিল। জ্ঞানেন্দ্ৰৰ মনৰ ইচ্ছা পূৰণ কৰিবলৈ প্ৰসন্নই আন্তৰিকভাৱে চেষ্টা কৰা উচিত আছিল। কিন্তু আমঠ প্ৰসন্নই একমাত্ৰ তেওঁৰ নিজক বুদ্ধিকহে প্ৰাধান্য দিয়াত জ্ঞানেন্দ্ৰৰ এনে পৰিণতি ঘটিল। ইমান গোঁৱাৰ নোহোৱাহেঁতেন জ্ঞানেন্দ্ৰই ব্যৱসায়তো উন্নতি কৰিব পাৰিলেহেঁতেন। জ্ঞানেন্দ্ৰৰ পতনৰ বাবে একমাত্ৰ দায়ী প্ৰসন্নৰ আত্ম-শ্লাঘা।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



সোৱাদ

ধৱলপুৰীৰ ৰজাৰ নাম আছিল সুৱৰ্ণবৰ্মা। এদিন ৰজাৰ কাণত পৰিল অৰণ্যত তপস্যা কৰি থকা এগৰাকী ঋষিৰ কথা। এই ঋষিৰ জ্ঞানৰ হেনো সীমা-পৰিসীমা নাই, ক্ষমতাও সীমাহীন।

শুনি—ৰজাৰ মন গ'ল অৰণ্যলৈ গৈ ঋষিগৰাকীক চোৱাৰ। এইগৰাকীৰ ঋষিৰ নাম আছিল সূৰ্য্যদেৱ ঋষি। ৰজাই মনৰ কথা মন্ত্ৰীক ক'লে। লগে লগে মন্ত্ৰী অৰণ্যলৈ গ'ল, ঋষিৰ কাষ চাপিল।

ঋষি সূৰ্য্যদেৱে মহামন্ত্ৰীক ক'লে, "ৰজাৰ সুখ্যাতি ময়ো নুশুনা নহয়, শুনিছোঁ। মোৰ আশ্ৰমত যদি মহাৰাজে এটি দিন অতিবাহিত কৰিবলৈ মন কৰিছে, মই আনন্দৰে সন্মতি দিম। ইমান ডাঙৰ সুৰমা প্ৰাসাদত থকা ৰজা এগৰাকীয়ে এদিনৰ কাৰণে আশ্ৰমবাসী হ'ব—নিশ্চয় তেওঁৰ মনত কিছুমান প্ৰশ্ন আছে, তাৰে সমাধান বিচাৰি আহিব।"

ঋষি সূৰ্য্যদেৱৰ কথাখিনি শুনি মন্ত্ৰী আনন্দিত হ'ল। ঋষিৰ শিষ্য এজনে এলোটা গাখীৰ লৈ আহিল আৰু মন্ত্ৰীক খাবলৈ দিলে। গাখীৰখিনি বৰ সুস্বাদু।

মন্ত্ৰীয়ে খাই, ভাল পাই, ক'লে, "ইমান সোৱাদ গাখীৰ মই জীৱনতো খাই পোৱা নাছিলোঁ, আজিহে খালোঁ।"

"এই গাভীৰ গাখীৰ গাখীৰ আমাৰ গুৰুদেৱে পান কৰে।" শিষ্যজনে কলে।

পাছদিনা মহামন্ত্ৰীক লগত লৈ ৰজা সুৱৰ্ণবৰ্মা ঋষি সূৰ্য্যদেৱৰ আশ্ৰমলৈ গ'ল। সূৰ্য্যদেৱে আন্তৰিকাৰে আহ্বান জনাই ৰজা আৰু মন্ত্ৰীকো উপবেশন কৰিবলৈ

'ব্ৰহ্মানন্দ'

ক'লে। অলপ পাছত সূৰ্য্যদেৱে তেওঁৰ শিষ্য এজনক মাতি ৰজা আৰু মন্ত্ৰীৰ কাৰণে গাখীৰ লৈ আহিবলৈ ক'লে।

শিষ্যজনে খোজ লওঁতেই মন্ত্ৰীয়ে তাক ক'লে, "তোমালোকৰ গুৰুদেৱে যি গাখীৰ খায়, মহাৰাজকো সেই গাখীৰ দিবা।"

মন্ত্ৰীৰ এই কথাৰ উত্তৰত শিষ্যই ক'লে, "আমাৰ গুৰুদেৱে যি গাখীৰ পান কৰে, আপোনালোকৰ কাৰণে সেই গাখীৰ আনিবলৈ গৈ আছোঁ।"

তাৰ পাছত শিষ্যই দুলোটা গাখীৰ আনি ৰজাক এলোটা দিলে আৰু মন্ত্ৰীক এলোটা দি থাকোঁতে ক'লে, "আপুনি যি গাখীৰ আনিবলৈ কৈছিল, আপোনাক সেই গাখীৰেই দিছোঁ।"

মন্ত্ৰীয়ে তৎক্ষণাৎ গাখীৰত শোহা মাৰিলে। কিন্তু এশোহা মাৰিয়েই তেওঁ কৈ উঠিল, এয়া—গাখীৰ হয়নে ? গাখীৰত আন কিবা মিহলোৱা নাই তো ?"

শিষ্যই মন্ত্ৰীক ক'লে, "এয়া সেই একেজনী গাভীৰ গাখীৰ। আন একো মিশ্ৰিত হোৱা নাই।"

কিন্তু এইবোৰ কথালৈ ৰজাৰ মন নাছিল। ৰজা স্থৰ্ণবৰ্মাই তৃপ্তিৰে গাখীৰ খিনি পি-খাই ঋষি সূৰ্য্যদেৱৰ লগত কথা পাতি থাকিল। তাৰ পাছত সূৰ্য্যদেৱ আশ্ৰমৰ ভিতৰলৈ গ'ল। তেতিয়া মন্ত্ৰীয়ে ৰজাক সুধিলে, "মহাৰাজ, আপুনি এই



গাখীৰৰ সোৱাদ কেনে পালে?"

ৰজাই কৈ উঠিল, "চমৎকাৰ!"

ৰজাৰ কথা শুনি মন্ত্ৰী অবাক হ'ল। মন্ত্ৰীয়ে ক'লে, "মহাৰাজ, কালি ময়ো একেষাৰ কথাকে কৈছিলোঁ। কিন্তু আজিৰ গাখীৰখিনি একেবাৰে বিসোৱাদ যেন লাগিল। একেবাৰে বেয়া। কালি গাখীৰ খাই ভাবিছিলোঁ যে সূৰ্যদেৱে যিজনী গাইৰ গাখীৰ খায়—সেই গাই-জনীক মই কিনি লৈ যাম। সহস্ৰ মুদ্ৰাৰেও কিনিলোহেঁতেন। কিন্তু আজিৰ গাখীৰত কিবা বেয়া বেয়া গোন্ধা ইছে।"

অলপ সময়ৰ মনে মনে থকাৰ পাছত ৰজাই ক'লে, "চাওক মহামন্ত্ৰী, কালিৰ গাখীৰৰ সোৱাদ ভাল হোৱাৰ এটা হেতু আছিল। কালি গভীৰ শ্ৰদ্ধাৰে সৈতে আপুনি ঋষি সূৰ্য্যদেৱৰ কাষ চাপিছিল। তেতিয়া সকলো বস্তুৰেই অমৃতৰ দৰে বোধ হৈছিল। কালি গাখীৰ খোৱাৰ পাছত যেতিয়াই গাইজনী কিনি লোৱাৰ কথা ভাবিলে, ঋষি সূৰ্য্যদেৱৰ প্ৰতি আপোনাৰ অন্তৰৰ শ্ৰদ্ধাও হ্ৰাস পালে। তেতিয়া কেৱল গাইজনী কিনাত আপোনাৰ আকৰ্ষণ থাকিলগৈ। সেয়েহে এই পৰিৱৰ্তন।"

ৰজাৰ বিশ্লেষণ শুনি মন্ত্ৰীয়ে লাজ পালে। ৰজাই মন্ত্ৰীক পুনৰ ক'লে, "মহামন্ত্ৰী, লতা-পাতেৰে ঋষি সূৰ্য্যদেৱৰ আশ্ৰম সজা হৈছে। ইয়াত থকা কোনো বস্তুৰেই বৰ দামী নহয়। কিয়নো—এয়া ঋষিৰ আশ্ৰম। মই ঋষিৰ সংগলাভৰ বাবেহে ইয়ালৈ আহিছোঁ। গাখীৰৰ সোৱাদ মোৰ ওচৰত ডাঙৰ কথা নহয়। মোক লাগে ঋষিৰ উপদেশ। আপুনি লাভ-লোকচানৰ কথা ভাবি ভাবি উভতি যাওক। মই ইয়াত এনিশা যাপিম।"

ৰজাৰ নিৰ্দেশমতে মন্ত্ৰী উভতি গ'ল আৰু তেতিয়া ঋষি সূৰ্য্যদেৱ আনন্দিত মনেৰে পুনৰ ৰজাৰ ওচৰলৈ আহিল।



আমাৰ দ'ল-দেৱালয়

কামাখ্যা

অসমৰ গুৱাহাটী নগৰৰ ওচৰত নীল পৰ্বতৰ ওপৰত থকা জগদম্বা কামাক্ষী দেৱীৰ মন্দিৰ কামাখ্যাদেৱীৰ মন্দিৰ হিচাপে সমগ্ৰ ভাৰতত জনাজাত।

দক্ষ-যজ্ঞৰ অন্তত সতীৰ দেহ লৈ ৰুদ্ৰ শিৱে যেতিয়া বলিয়াৰ দৰে ভূমণ্ডলত ভ্ৰমি ফুৰিছিল, তেতিয়া এই পৰ্বতোপৰি সতীৰ এটি অংগ সৰি পৰিছিল আৰু তাতেই কামাখ্যা মন্দিৰ নিৰ্মিত হোৱা বুলি ভাৰতৰ অগণিত ভক্তৰ বিশ্বাস।



চৈধ্য শতিকাত কালাপাহাৰে এই মন্দিৰ ধ্বংস কৰিছিল। তাৰ পাছত বহু কাল ধৰি সেই ধ্বংসপ্ৰাপ্ত মন্দিৰত কেৱল দুই-চাৰিগৰাকী পূজাৰীৰ বাহিৰে আন কোনো নগৈছিল, বা যাব নোৱাৰিছিল।

বহু বছৰৰ অস্তত মল্লদেৱ নামৰ অসমৰ ৰজা এগৰাকীয়ে বংগৰ নৱাবক আক্ৰমণ কৰিছিল। অসমৰ সেই ৰজা মল্লদেৱক বংগৰ নৱাবে বন্দী কৰি থ'লে।

এনিশা সপোনত কামাখ্যাদেৱীয়ে ৰজা মল্লদেৱক ক'লে, "হে ৰজা, তোমাৰ দেশৰ এঠাইত মোৰ মন্দিৰ ধ্বংস হৈ পৰি আছে। সেই মন্দিৰ সংস্কাৰ নকৰাকৈ তুমি এই দেশ আক্ৰমণ কৰিছিলাহি। এয়া কিন্তু অত্যন্ত লাজৰ কথা।"

সপোন দেখা শেষ হ'ল আৰু ৰজা মল্লদেৱ সাৰ পাই গ'ল। নৱাবৰ বন্দীত্বৰপৰা কেনেকৈ মুক্তিলাভ হ'ব দেৱীয়ে মল্লদেৱক সপোনত কৈ দিছিল। সপোনৰপৰা সাৰ পায়েই মল্লদেৱে শুনিলে নৱাবৰ মাতৃক সাপে খুটিলে।

বেজইতে বহু ধৰণৰ বেজালি কৰি নবাব-মাতৃক ভাল কৰি তুলিবলৈ চেষ্টা কৰিও সম্পূৰ্ণভাৱে ব্যৰ্থ হ'ল। মাতৃভক্ত নবাব উদ্বিগ্ন আৰু বিষাদগ্ৰস্ত হৈ পৰিল।



বেজ-বৈদ্যসকলে তেওঁলোকৰ অক্ষমতা জ্ঞাপন কৰাৰ পাছত নবাবে ঘোষণা কৰিলে যে তেওঁৰ মাতৃক ভাল কৰি তুলিব পৰাজনক পুৰস্কাৰ দিয়া হ'ব। কিন্তু নবাবৰ ঘোষণা শুনি কোনো নাহিল।

নবাবৰ ঘোষণা বন্দী মল্লদেৱৰ কাণতো পৰিল। মল্লদেৱে নবাবলৈ বাতৰি পঠালে যে তেওঁক যদি মুক্তি প্ৰদান কৰা হয়, তেনেহ'লে তেওঁ নবাবৰ মাতৃক ভাল কৰি তুলিব। এই বাতৰি পাই নবাবে মল্লদেৱক মতাই অনালে।



কামাখ্যাদেৱীয়ে সপোনত শিকাই দিয়া মন্ত্ৰ উচ্চাৰণ কৰাৰ লগে লগে নৱাবৰ মাতৃয়ে চকু মেলি চালে। নৱাবে লগে লগে মল্লদেৱক অসমলৈ পঠাই দিলে।

ৰজা মল্লদেৱে লৰণুসনা জুইৰে ইটা নিৰ্মাণ কৰি মন্দিৰ পুনৰ্নিৰ্মাণ কৰি কামাখ্যাদেৱীক সুপ্ৰতিষ্ঠিত কৰিলে। মল্লদেৱ আছিল কামাখ্যাৰ ভক্ত ৰজা।

তেতিয়াৰপৰা সেই মন্দিৰলৈ ভক্তসকলৰ সমাগম বাঢ়িল। দেৱীৰ প্ৰতীক হিচাপে এই মন্দিৰত এচটা অতি সুন্দৰ ক'লা শিল পৰিলক্ষিত হয়। এই মন্দিৰত সদা-সৰ্বক্ষণ ভক্তসৱৰ সমাগম ঘটে।



অক্ষমৰ শাসন

মধুমিতা কাকতী

লবংগদেশৰ ৰজা আছিল শান্তশীল। নামতো আৰু স্বভাৱতো ৰজা আছিল শান্ত-কোমল। দেশৰ প্ৰতিজন প্ৰজাক ৰজাই শ্ৰদ্ধা কৰিছিল আৰু তেওঁ আছিল সাধুভক্ত। সাধুসকলৰ কথা শুনালেই ৰজা কোমল হৈ পৰিছিল। সাধুসকলক ৰজা শান্তশীলে স্বয়ং ঈশ্বৰৰ প্ৰতিনিধি বুলি ভাবিছিল। সাধুসকলৰ প্ৰতি ৰজাৰ এনে ভক্তি তথা অনুৰক্তিৰ বাবে বহুতে তেওঁক বেয়া পাইছিল; কিন্তু মুখেৰে একো কোৱা নাছিল। সাধু-সন্ন্যাসীৰ-সকলৰ কোনো অসুবিধা নোহোৱালৈ ৰজাই সদায় তীক্ষ্ণ দৃষ্টি দিছিল।

*

বহু বছৰ এইদৰে পাৰ হ'ল। এদিন মহামন্ত্ৰী মাধৱবৰ্মাই ৰজা শান্তশীলক ক'লে, "মহাৰাজ, আপুনি সাধু-সন্তসকলৰ বাবে উদাৰভাৱে ধন ব্যয় কৰাত ৰাজ-কোষৰ ধন আধাতকৈয়ো অধিক ব্যয় হ'ল। তাৰ ফলত প্ৰজাবৰ্গৰ মংগলৰ বাবে হাতত লোৱা আঁচনিবোৰ বন্ধ হোৱাৰ উপক্ৰম হৈছে। কথা মাথোন সিমানেই নহয়। দেশত দিনে দিনে বিশৃংখলা বাঢ়ি গৈছে আপোনাৰ সমালোচনাত প্ৰজাবৰ্গ মুখৰ হৈ উঠিছে আৰু দেশৰ নৈতিক চৰিত্ৰৰো পতন পৰিলক্ষিত হৈছে।"

ৰজাই গম্ভীৰ কণ্ঠেৰে ক'লে, "নৈতিক চৰিত্ৰৰ পতন হৈছেই যদি—সাধু-সন্ত-সকলেহে শুদ্ধিৰ দায়িত্ব ল'ব পাৰিব। প্ৰজাহঁতৰ মানসিক তথা নৈতিক উন্নতি মই তো কৰিব নোৱাৰিম, এই কাম

দেশত যাতে কোনো এজনো বহি খোৱা ফুকন হৈ নুঠে—তালৈ কঠোৰ দৃষ্টি দিব লাগিব। এলেহুৱাহঁতক ধৰি ধৰি কঠিন শাস্তি দিব লাগিব। মোৰ এই কথা অৰ্থাৎ দেশৰ ৰজাৰ এই আদেশৰ কথা ঘোষণা কৰিলে দেশৰ তথা ৰাইজৰো মংগল হ'ব।"

ৰজাৰ কথা মতে মহামন্ত্ৰীয়ে এই কথা ঘোষণা কৰিলে। অলস জীৱন যাপন কৰিলে কঠিন শাস্তি ভুঞ্জিব লাগিব—দেশৰ ৰাইজে ৰজাৰ এই আদেশ শুনিলে।

*

কিছুদিনৰ পাছত এদিন ৰজাই মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, মোৰ ঘোষণাৰ পাছত দেশৰ ৰাইজে নিশ্চয় তৎপৰতাৰে শ্ৰম কৰিছে আৰু কোষাগাৰো টনকিয়াল হৈ উঠিছে নিশ্চয় ?"

"মহাৰাজ, প্ৰজাই যে কিমান শ্ৰম কৰি আছে, সম্প্ৰতি সেই তথ্য মোৰ হাতত নাই ; কিন্তু আমাৰ ৰাজকোষৰ অৱস্থাৰ ঢেৰ অৱনতি পৰিলক্ষিত হৈছে।" মহামন্ত্ৰীয়ে ৰজাক ক'লে।

এই কথা শুনি অবাক হৈ পৰা ৰজাই ক'লে, "তাৰ মানে—মোৰ সেই ঘোষণাৰ ফলাফল বেয়াহে হৈছেগৈ! কিয় বেয়া হ'ল? ঠিক আছে, এই বিষয়ে সাধুসকলৰ যোগেদিহে হ'ব।"

মহামন্ত্ৰীয়ে বিনম্ৰভাৱে ৰজাক ক'লে, "মহাৰাজ,দেশৰ অৱস্থা জ্ঞাপন কৰাটো মোৰ কৰ্তব্য আৰু মোৰ কৰ্তব্য পালন কৰিলোঁ। সেই বিষয়ে ব্যৱস্থা লোৱাৰ দায়িত্ব—আপোনাৰ।"

ৰজাই মূৰ দুপিয়াই ক'লে, "ৰাজগুৰুজনাই বিগত এবছৰ কাল ধৰি দেশভ্ৰমণ কৰি আছে। সিংহাসনত উপবেশন কৰাৰ পাছৰপৰা অদ্যাপি মই ৰাজগুৰুৰপৰা তেনেকুৱা কোনো প্ৰকাৰৰ নিৰ্দেশ লাভ কৰা নাই। যি কি নহওক, আপাততঃ এটা কাম আমি কৰিব পাৰোঁ।

প্ৰত্যক্ষভাৱে অভিজ্ঞতা অৰ্জন কৰিবলৈ আপুনি আৰু মই ছদ্মবেশ ধৰি ওলাম।"

*

দেশৰ তথা প্ৰজাৰ প্ৰকৃত অৱস্থাৰ বুজবাজ ল'বলৈ ৰজা আৰু মন্ত্ৰী ভেশছন লৈ ওলাল। এখন সৰু নগৰৰ এঠাইত তঁাশালতৰ ওচৰত বহি কেইজনমান মানুহে গল্প কৰি আছিল। সিহঁতৰ যেনিবা আন একো কামেই নাই—এনেকৈ বহি আড্ডা মাৰি আছিল সিহঁতে।

ছদ্মবেশী ৰজা আৰু মন্ত্ৰীয়ে সিহঁতক ক'লেগৈ, "তোমালোকে কাম-বন নকৰি আড্ডা মাৰি আছা—কেনেবাকৈ কথাটো ৰজাই গম পায় যদি কি হ'ব জানানে?"

এই কথা শুনি এজনে ক'লে, "আপোনালোক এই দেশলৈ কেতিয়া আহিছে হেৰি? আমাৰ দেশত যিয়েই যি অপৰাধেই নকৰক—ৰাতাৰাতি সাধুৰ সাজপাৰ গেৰুৱাৰে বোলোৱা কাপোৰ-কানি পিন্ধি ল'লেই হ'ল। তেতিয়া ৰজাৰপৰা শাস্তিৰ কথা বাদেই—শ্ৰদ্ধা, ভক্তি আৰু আৰু পুৰস্কাৰ মানে—প্ৰণামী পোৱা যাব।"

"হয়নে?" ক্ষুব্ধ আৰু বিস্মিত ৰজাই কৈ উঠিল, "এই কথা সঁচানে বাৰু?"

*

তাৰ পাছত ৰজা আৰু মন্ত্ৰী আন বহু ঠাইলৈকো গ'ল, বহু ধৰণৰ অভিজ্ঞতা লাভ কৰিলে আৰু ৰজাই বুজি পালে



তেওঁৰ সেই ঘোষণা সমূলি ব্যৰ্থ হৈছে। এনেতে ৰাজগুৰু ৰাজধানীলৈ উভতি আহিল। ৰজাই ৰাজগুৰুক এদিন ক'লে, "গুৰুদেৱ, মই সদায়-সন্ন্যাসীসকলৰ প্ৰতি মোৰ যথাকৰ্তব্য পালন কৰি আহিছোঁ। কিন্তু তেওঁলোকৰপৰা আশা কৰা মতে একো নাপাওঁ কিয়, প্ৰভু?"

ৰাজগুৰুৱে হাঁহি ৰজাক ক'লে, "তুমি যিসকলক সাধু-সন্ন্যাসী বুলি ভাবিছা, তেওঁসকলৰ মাজত সাধু কোন ভণ্ড কোন তাৰ খবৰ লৈছানে কেতিয়াবা?

"বহুতেই সমগ্ৰ যৌৱনকাল সংসাৰ-সুখ ভোগ কৰাৰ অন্তত হঠাৎ এদিন গেৰুৱা মাটিৰে বোলোৱা সাজ-পাৰ পিন্ধি, দাড়ীয়াটি হৈ সাধুৰ ভেশ লয়—সংসাৰৰ যন্ত্ৰণাৰ হাত সাৰিবলৈ। যিহঁতে পাৰিবাৰিক কৰ্তব্য পালন কৰিব নোৱাৰে, দেশৰ কৰ্তব্য কেনেকৈ পালন কৰিব? সাধু-সন্ন্যাসীৰ প্ৰতি অধিক দুৰ্বলতাইহে তোমাৰ চিন্তাশক্তিৰ তথা শাসনৰো পতন ঘটাইছে।"

ৰজা শান্তশীলে শান্তভাৱে ক'লে, "গুৰুদেৱ, আপোনাৰ বক্তব্যৰ তাৎপৰ্য মই অনুধাৱন কৰিব পাৰিছোঁ। এতিয়াৰপৰা মই সঠিকভাৱে বিচাৰ-বিবেচনা কৰি দেশ-শাসন কৰিব পাৰিম।"

"তুমি এখন বিৰাট দেশৰ ৰজা। ভালকৈ ভাবি-গুণি কাম নকৰিলে তুমি নিজৰ তথা দেশৰো সৰ্বনাশ কৰিবা। তোমাৰ ব্যক্তিগত বিশ্বাস আনৰ ওপৰত জাপি নিদিবা। তাৰ ফলত হিতে বিপৰীতহে হ'বগৈ।" ৰাজগুৰুৱে ৰজাক খাৰাংখাচকৈ কৈ দিলে।

এই ঘটনাৰ পাছৰপৰা ৰজা শান্তশীলে সম্পূৰ্ণ নিৰপেক্ষ দৃষ্টি-ভংগীৰে দেশ-শাসন কৰিছিল, যাৰ ফলত তেওঁৰ ৰাজ্যত আৰু কেতিয়াও কোনো ধৰণৰ বিশেষ সুবিধা-ভোগী শ্ৰেণীৰ উদ্ভৱ হোৱা নাছিল।

উত্তৰ-ৰামায়ণ

৫

যমৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গৈ ৰাৱণে তাত বহুতো অবৰ্ণনীয় নৰক-যাতনাৰ দৃশ্য দেখা পালে। আকৌ—স্বৰ্গসুখ ভোগ কৰোঁতা পুণ্যৱানসকল পোনে পোনেই স্বৰ্গলৈ যোৱাৰ দৃশ্য দেখা পালে। বহু পৰলৈকে এইবোৰ দেখাৰ অন্তত ৰাৱণৰ মনত পাপ-পুণ্যৰ বিভিন্ন প্ৰশ্নই খেলিমেলি লগাই দিলে।

দেখাত অতি ভয়ংকৰ তথা কদাকাৰ যমৰ টেকেলাহঁতে পাপীহঁতক অতি ভয়ানক নগুৰশাস্তি দিছে; পাপীহঁতক পোক-পৰুৱাবোৰ খুৱাইছে, নৰকৰ বীভৎস কুকুৰবিলাকে কিছুমান পাপীক জীয়াই জীয়াই মঙহ বখলিয়াই খাইছে, অতিপাত উত্তপ্ত বালিৰ ওপৰেদি পাপীহঁতক খোজ কঢ়োৱা হৈছে—আৰু যে কত ৰকমৰ বীভৎস শাস্তিৰ ব্যৱস্থা আছে—তাৰ সীমা-সংখ্যা নাই। নৰকৰ কক্‌-কাণ্ড দেখি ৰাছণ অবাক হ'ব।

নৰকৰ তথা যমৰ এই অত্যাচাৰ চাই ৰাৱণ ক্ৰুদ্ধ হ'ল আৰু পাপীহঁতক মুক্ত কৰাৰ ব্যৱস্থা কৰিলে। ৰাৱণে জোৰ-জুলুম কৰি পাপীহঁতক নৰকৰপৰা মুক্ত কৰি দিলে। এই কথাত কাল-ফুৰাহঁত ক্ৰুদ্ধ হৈ উঠিল আৰু সিহঁতে ৰাৱণক আক্ৰমণ কৰিলে। সিহঁতে ৰাৱণৰ পুষ্পক ৰথ পুৰি পেলোৱাৰ চেষ্টা কৰিও ব্যৰ্থ হ'ল; কিয়নো এই ৰথ আছিল

'পাতালবলি'

অক্ষয় ৰথ। ৰথৰ একো অনিষ্ট নহ'ল।

এনেতে নাৰদমুনি তাত ওলালগৈ। যমে নাৰদক সসম্মানে বহুৱাই বিভিন্ন ঠাইৰ বিভিন্ন খা-খবৰ লৈ থাকিল।

নাৰদে যমৰজাক ক'লে, "দশগ্ৰীৱ নামৰ এক অজেয় ৰাক্ষসে তোমাক আক্ৰমণ কৰিবহি বুলি শুনিলোঁ। তুমি আনকি তোমাৰ যমদণ্ডেৰেও তাৰ একো অনিষ্ট সাধিব নোৱাৰিবা। গতিকে এই বিষয়ে কি কৰিবা, ভাবি চোৱা।

নাৰদৰ কথা নোশেষহওঁতেই যমৰজাই অনতিদূৰত এখন উজ্জ্বল ৰথ দেখা পালে আৰু তৎক্ষণাৎ যুদ্ধলৈ সাজু হ'ল, আৰু নাৰদ-মুনিয়ে ৰঙতে তেওঁৰ টোকাৰী বজাই থাকিল।

যমৰ অনুচৰহঁতৰ লগত অলপ সময় ধৰি যুদ্ধ কৰাৰ অন্তত ৰাৱণে সিহঁতৰ ওপৰত পাশুপত অস্ত্ৰ প্ৰয়োগ কৰিলে। তাৰ ফলত ওচৰ-পাঁজৰৰ ভালেখিনি ঠাই পুৰি ভস্ম হৈ গ'ল, যমদূতহঁতো মৰিল। পাশুপত অস্ত্ৰৰ জুইৰ প্ৰচণ্ড তাপ ৰাৱণৰ গাত আৰু তেওঁৰ মন্ত্ৰীহঁতৰ গাতো লাগিছিলহি। ৰাৱণে হঠাৎ চিঞৰি দিলে। তেওঁৰ সেই চিঞৰ আৰ্তনাদৰ দৰে শুনা গ'ল। কিন্তু যমৰজাই ৰাৱণৰ আৰ্তনাদক বিজয়ৰ উল্লাস বুলি ভাবিলে আৰু তেওঁৰ সাৰথিক ৰথ প্ৰস্তুত কৰিবলৈ ক'লে। চাওঁতে চাওঁতে ৰঙা অশ্ব সমন্বিত ৰথ যমৰজাৰ ওচৰলৈ আহিল। আৰু এনেতে আৱিৰ্ভূত হ'ল মৃত্যু-দেৱতা।

যমৰজা যেতিয়া ৰথত বহিল, তেতিয়া তেওঁৰ একাষত আছিল কালদণ্ড আৰু আন কাষত কালপাশ। যমে যুদ্ধ কৰিবলৈ ওলালত তিনিও লোকত বিৰাট আলোড়নৰ সৃষ্টি হ'ল। এই ঘটনাৰ ফলত দেৱতাগণ ভীত আৰু উদ্বিগ্ন হৈ অস্থিৰ হৈ উঠিল।

যমে মনৰ চিন্তাৰ দৰে দ্ৰুতগতিৰে আগুৰাই যাব পাৰিছিল। সেয়েহে—

চকুৰ পচাৰ নোপৰোঁতেই যমৰ ৰথ ৰাৱণৰ সমুখত উপস্থিত হ'লগৈ। যমৰ লগত মৃত্যু-দেৱতাও আছিল। যমৰ ৰথোপৰি মৃত্যু-দেৱতাকো দেখা পাইৰ ৰাৱণৰ হৃৎকম্প উঠিল। ৰাৱণৰ মন্ত্ৰীহঁত তথা অনুচৰহঁতে যি যেনিয়েদি পাৰিল পলাল। কিন্তু ৰাৱণ ধীৰ স্থিৰভাৱে থিয় হৈ থাকিল।

তাৰ পাছত—যম আৰু ৰাৱণৰ মাজত সাতদিন-সাতনিশা ধৰি যুদ্ধ চলি থাকিল। যমে মাৰাত্মক অস্ত্ৰসমূহ প্ৰয়োগ কৰি ৰাৱণক ক্ষত-বিক্ষত কৰি পেলালে ; কিন্তু তথাপি ৰাৱণ নদমিল, ৰাৱণে প্ৰচণ্ড বিক্ৰমেৰে যুদ্ধ চলাই থাকিল। ৰাৱণে যমক বিভিন্ন অস্ত্ৰেৰে আহত কৰিলে ; কিন্তু যমো কম নহয়, যমে যতেক ৰকমৰ যম-কুন্দাৰে ৰাৱণক থকা-সৰকা নকৰি কৰি থাকিল। আৰু এই ভয়াবহ তথা প্ৰচণ্ড যুদ্ধ চলিয়েই থাকিল।

যুদ্ধৰ পৰিস্থিতিলৈ লক্ষ্য কৰি মৃত্যু-দেৱতাই যমক ক'লে, "হে ধৰ্মৰাজ, তুমি ক্ষান্ত হোৱা, মই এই ৰাক্ষসৰ বিৰুদ্ধে যুঁজিম। সাতদিন-সাতৰাত্ৰি পাৰ হ'ল, তথাপি তুমি ৰাৱণক পৰাজিত কৰিব নোৱাৰিলা। এওঁক মোৰ হাতত এৰি দিয়া, মই মুহূৰ্তত বধ কৰিম। মই মৃত্যু-দেৱতা, মাৰি পেলোৱাৰ অধিকাৰ মোৰ আছে। প্ৰলয়ৰ কালত এখন লোকৰ সকলোটিকে মই মাৰি পেলাইছিলোঁ। মোৰ ক্ষমতা অসীম। গতিকে এনেহেন নগণ্য ৰাক্ষস ৰাৱণক বধ কৰাত মোৰ মোৰ আনকি সামান্য সময়ৰো আৱশ্যক দহ'ব মই ৰাক্ষসক মুহূৰ্ততে মাৰি পেলাব পাৰিমি।"

"তুমি মনে মনে থাকাচোন, চোৱাঁ, মই কেনেকৈ তাক মোৰ আলহী কৰি লওঁ চাই থাকাঁ।" এই বুলি কৈ, যমে তেওঁৰ কালপাশ দাঙি ধৰিলে। লগে লগে কালপাশৰপৰা ভমককৈ জুই ওলাল। যমে ৰাৱণলৈ কালপাশ দলিয়াবলৈ

ধৰোঁতেই ব্ৰহ্মা আবিৰ্ভূত হ'ল আৰু যমক ক'লে, "হে ধৰ্মৰাজ! কালপাশ প্ৰয়োগ কৰাত যদি ৰাৱণৰ মৃত্যু হয়, মোৰ বৰ বিফল হ'ব। আনহাতে—কালপাশেৰে যদি ৰাৱণ নিহত নহয়, তেনেহ'লে মই যি উদ্দেশ্যেৰে কালপাশ তথা কালদণ্ড সৃষ্টি কৰিছিলোঁ, সেই উদ্দেশ্যো ব্যৰ্থ হ'ব। সেয়েহে, মই তোমাক কালপাশ তথা কালদণ্ড এইদৰে প্ৰয়োগ কৰিবলৈ মই নিষেধ কৰিছোঁ।"

ব্ৰহ্মাৰ অনুৰোধেই আদেশৰ নামান্তৰ, কথাটো যমেও জানে। যমৰজাই কালপাশ নমাই থ'বলৈ বাধ্য হ'ল।

কালপাশ বিনে ৰাৱণক বধ কৰা অসম্ভৱ বিবেচনা কৰি যমৰজা ব্ৰহ্মাৰ লগ লাগি স্বৰ্গলৈ গুচি গ'ল।

যম গুচি যোৱাৰ অন্তত ৰাৱণে ঘোষণা কৰিলে যে তেওঁ যমৰ বিৰুদ্ধে যুদ্ধত সম্পূৰ্ণ বিজয়ী হৈছে। নাৰদে এইবোৰ কথা-কাণ্ড দেখি শুনি ভালেই পোৱা হ'ল।

যমৰ বিৰুদ্ধে জয়ী হোৱাত মাৰীচ প্ৰমুখ ৰাক্ষসসকলে ৰাৱণক সহস্ৰমুখে উচ্ছ্বসিতভাৱে প্ৰশংসা কৰিলে। তাৰ পাছত যমজয়ী ৰাৱণে পাতাললোকলৈ বুলি ৰাওনা কৰিলে।

পাতাললৈ যোৱা বাটত বৰুণৰ অধীনস্থ সমুদ্ৰ। সেই সমুদ্ৰত বাসুকী প্ৰমুখ থকা ভোগৱতী নগৰ ৰাৱণ অধিকাৰ কৰি ল'লে। তাৰ পাছত ৰাৱণ নিৱাত-কৱচসকলৰ নগৰলৈ গ'ল। এই নগৰৰ নাম আছিল মণিমতি। মণিমতিৰ অধিবাসীবৰ্গই ৰাৱণৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে। নিৱাতকৱচসকল আছিল অজেয়।

একেৰাহে এবছৰকাল ধৰি যুদ্ধ কৰিও ৰাৱণে অজেয় নিৱাতকৱচসকলক পৰাজিত কৰিব নোৱাৰিলে। জয়-পৰাজয় অনিশ্চত হৈ উঠিল। এনে অৱস্থাত ব্ৰহ্মা আবিৰ্ভূত হ'ল আৰু উভয় পক্ষৰ মাজত সন্ধি স্থাপন

কৰি অগ্নিসাক্ষী ৰাখি দুয়ো পক্ষৰ মাজত বন্ধুত্ব অটুট ৰখাৰ ব্যৱস্থা কৰিলে।

তাৰ পাছত, নিৰাতকৱচসকলৰ অতিথি ৰূপে ৰাৱণে তাত এবছৰকাল যাপিলে। ৰাৱণে নিৰাতকৱচসকলৰপৰা নিৰনব্বৈটা জাদু-খেলা শিকি ল'লে। তাৰ পাছত বৰুণৰ নগৰলৈ যাবলৈ মন মেলিলে।

বৰুণৰ নগৰলৈ যাওঁতে বাটত অশ্ম-নগৰত কালকেয়সকলৰ বিৰুদ্ধে ৰাৱণে অস্ত্ৰধাৰণ কৰিলে আৰু অসংখ্য কালকেয় বীৰক ৰাৱণে বধ কৰিলে। এই বীৰ-সকলৰ অন্যতম আছিল বিদ্যুৎজিহ্ব। শূৰ্পনখাৰ স্বামীও আছিল এই যোদ্ধা-সকলৰ অন্যতম। ৰাৱণে তেওঁক তৰৱাৰিৰে কাটি পেলালে। তাৰ পাছত, অশ্মনগৰ জয় কৰাৰ অন্তত, ৰাৱণ বৰুণৰ বৰুণৰ নগৰলৈ বুলি আগুৱান হ'ল।

বৰুণৰ প্ৰাসাদৰ বৰণ আছিল ডাঠ কুঁৰবীৰ দৰে। ৰাৱণে তাত এজনী কামধেনু দেখা পালে। কামধেনুজনীৰ ওহাৰৰপৰা নিৰন্তৰ গাখীৰ নিগৰি পৰিছিল। এই কামধেনুৰ দুগ্ধেৰে দুগ্ধসাগৰৰ সৃষ্টি হৈছিল আৰু সেই সাগৰত জন্ম হৈছিল চন্দ্ৰৰ। এই দুগ্ধসাগৰত অমৃত সৃষ্টি হ'ল। শিৱৰ বাহন নান্দী এই কামধেনুৰ গৰ্ভজাত।

এই কামধেনুজনীক প্ৰদক্ষিণ কৰাৰ অন্তত ৰাৱণ বৰুণৰ মন্দিৰলৈ সোমালগৈ। সোমোৱাৰ লগে লগেই বৰুণৰ যোদ্ধাসকলৰ লগত ৰাৱণৰ যুদ্ধ লাগি পৰিল। বৰুণৰ অসংখ্য যোদ্ধা নিহত হ'ল। যিকেইজন তেতিয়ালৈকো কথমপি জীয়াই আছিল, সিহঁতে ৰাৱণে ক'লে, "তোমালোকে বৰুণক কোৱাগৈ, মই তেওঁৰ বিৰুদ্ধে ৰণ দিবলৈ ইয়ালৈ আহিছোঁ।"

বৰুণৰ পুত্ৰ-নাতিল'ৰাহঁতো তৎক্ষণাৎ ৰথত উঠি ৰাৱণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ৰাওনা হ'ল। যুদ্ধত অধিকভাগেই মৰিল। তেতিয়া ৰাৱণে পুনৰ বৰুণক খবৰ দিবলৈ ক'লে। অলপ পাছত ৰাৱণে সম্বাদ

পালে যে বৰুণ ব্ৰহ্মলোকত আছে, তাত তেওঁ সংগীত শুনি আছে।

এই কথা শুনি, ৰাৱণে সদম্ভে তেওঁৰ বিজয় ঘোষণা কৰি তাৰপৰা গুচি গ'ল। ৰাৱণ পুনৰ অশ্মনগৰলৈ গ'ল। তাত এদিন মদমত্ত অৱস্থাত ঘূৰি ফুৰোঁতে এক বিচিত্ৰ ধৰণৰ ভৱন দেখা পালে তেওঁ। এই ভৱনৰ স্তম্ভবোৰ আছিল সোণেৰে নিৰ্মিত। ভৱনৰ বিভিন্ন ঠাই মণি-মুকুতাৰে সজোৱা। ৰাৱণে প্ৰহস্তক ক'লে, "এনে বিতোপন ভৱন কাৰ হ'ব পাৰে? তুমি এই বিষয়ৰ খবৰ লোৱাচোন?"

ৰাৱণৰ নিৰ্দেসমতে প্ৰহস্ত সেইপ্ৰাসাদলৈ গ'ল তোৰণ দ্বাৰত কোনো নাছিল। একে একে সাতখন দুৱাৰ অতিক্ৰম কৰাৰ পাছতো প্ৰহস্তই প্ৰাসাদত কাকো দেখা নাপালে। তাৰ পাছত প্ৰহস্তই তাত দেখা পালে এগৰাকী দিব্যকান্তি পুৰুষক। সূৰ্য্যৰপৰা ওলোৱা পোহৰৰ দৰে এওঁৰ দেহৰপৰাও তীব্ৰ আৰুস মুজ্জ্বল পোহ্ৰ ওলাইছিল। এইগৰাকী মহাপুৰুষে প্ৰহস্তলৈ চাই প্ৰসন্নভাৱে হাঁহিছিলে।

প্ৰহস্তৰপৰা সকলো কথা শুনি ৰাৱণ তৎক্ষণাৎ সেই সুৰম্য ভৱনৰ ভিতৰলৈ সোমোৱাবলৈ গ'ল; কিন্তু দেখাত অতি ভয়ংকৰ কোনোবা এজনৰপৰা বাধা পোৱা হ'ল তেওঁ। এই ভয়ংকৰদেহীৰ কপালত আছিল চন্দ্ৰ, মুখৰপৰা জুই ওলাইছিল, জিভা আছিল তেজবৰণীয়া, চকুযুৰি ৰঙা, মুখখন বগা, চুলিবোৰ কেটেলাপহুৰ কাঁইটবদৰে দৰে থিয় আৰু জোঙা, বিৰাট মোচ আৰু দীঘল দাড়ি, নখবিলাক আছিল অতি দীঘল, আৰু হাতৰ তলুৱাত কিবা যেন সাঁচ এটা।

এই ভয়ংকৰদেহীক দেখা মাত্ৰেই ৰাৱণ উচপ খাই উঠিল। ভয়ংকৰদেহীয়ে ৰাৱণক ক'লে, "হে ৰাক্ষস, ভয় নকৰিবা, তোমাক কি লাগে কোৱা।"

"মই যুদ্ধ কৰিম।" ৰাৱণে ক'লে।

"কাৰ বিৰুদ্ধে? মোৰ বিৰুদ্ধে নে বলিৰ বিৰুদ্ধে?" ভয়ংকৰদেৱীয়ে সুধিলে।

"এই ভৱন যাৰ—তাৰ বিৰুদ্ধে।"

"বলি ভিতৰত আছে, ইচ্ছা হ'লে তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিব পাৰা।"

ৰাৱণ ভৱনৰ ভিতৰলৈ সোমাই গ'ল। সেই মহাপুৰুষগৰাকীয়েই আছিল বলি। তেওঁৰ দেহৰপৰা ওলোৱা সুতীব্ৰ পোহৰৰ পিনে ৰাৱণে চকু মেলি চাব নোৱাৰিলে।

বলিয়ে ৰাৱণক আলফুলকৈ দাঙি আনি নিজৰ আঁঠুৰ ওপৰত লাহেকৈ বহুৱাই সুধিলে, "বোপা, ইয়ালৈনো কিহৰ কাৰণে আহিলা? কোৱাঁ মোক, মই তোমাৰ ইচ্ছা পূৰণ কৰিম।"

"এই কথা মই জানো যে—বিষ্ণুৱে মায়াবলেৰে তোমাক ইয়াত আটক কৰি থৈছে। মই তোমাক বিষ্ণুৰ কবলৰপৰা মুক্ত কৰিম" ৰাৱণে বলিক ক'লে।

"অ'—এয়েনে তোমাৰ বাসনা? তেনেহ'লে এটা কাম কৰা। সৌ তাত এটা কুণ্ডল [কঁৰিয়া] পৰি আছে, লৈ আহাঁচোন।" মহাপুৰুষ বলিয়ে ক'লে।

কিন্তু ৰাৱণে তেওঁৰ সমস্ত শক্তিৰেও সেই চক্ৰৰূপী কুণ্ডলটোক আনকি চুলি পৰিমাণো লৰাবো নোৱাৰিলে।

তেতিয়া মহাপুৰুষ বলিয়ে ৰাৱণক ক'লে, "তুমি যিটো কৰ্ণকুণ্ডল লৰাব নোৱাৰিলা, আমাৰ উপৰিপুৰুষ হিৰণ্য-কশিপুৱে সেইটো কাণত পিন্ধিছিল। এইটো আছিল তেওঁৰ কৰ্ণাভৰণ। তেওঁ আছিল অমৰ। কোনেও যেতিয়া তেওঁক বধিব নোৱাৰিলে, তেতিয়া বিষ্ণুৱে নৰ-সিংহৰূপ ধাৰণ কৰি তেওঁক বধিলে। মোৰ ওচৰলৈ অহাৰ আগতে তোৰণদ্বাৰত যিজনৰ দৰ্শন লভিছিলা, তেৱেঁই বিষ্ণু।"

এই কথা শুনি ক্ৰোধান্ধ ৰাৱণ লৰৰি বিষ্ণুৰ ওচৰলৈ গ'ল। কিন্তু তাত তেতিয়া ৰাৱণে কাকো দেখা নাপালে।

সগিয়ান টলকা

সীতানগৰৰ স্বৰ্ণকমল আছিল নিঃসন্তান মানুহ। সন্তানৰ কামনা কৰি স্বৰ্ণকমলে কিমান যে মন্দিৰত পূজা আগ কৰিলে, তাৰিজ-কৰচ-গছৰ শিপা ধাৰণ কৰিলে, তাৰ সীমা-সংখ্যা নাই। যেৱে যি কৈছিল, স্বৰ্ণই সন্তানপ্ৰাপ্তিৰ আশাৰে তাকে কৰিছিল; কিন্তু একোপধ্যে একো নহৈছিল। অৱশেষত—বহু বছৰৰ অন্তত স্বৰ্ণৰ পৰিবাৰ ৰূপালীম সন্তান-সম্ভৱা হ'ল। স্বৰ্ণই ৰূপাক অতি যত্ন-আদৰৰ মাজত ৰাখিবলৈ ধৰিলে।

এদিন ৰূপাজনীক আমন-জিমন হৈ বহি থকা দেখি স্বৰ্ণকমলে ক'লে, "তুমি এনেকৈ মন মাৰি বহি আছা কিয়? তোমাক কি লাগে কোৱা। মই তোমাৰ মনৰ যিকোনো ধৰণৰ ইচ্ছা পূৰণ কৰিম।"

ৰূপাই ক'লে, "ৰাজধানীলৈ গৈ নাগ-মণি সোণাৰিৰ তৈয়াৰী মণি-মুকুতা খটোৱা হাৰ এধাৰ আনি দিলেহে মোৰ মন ভাল লাগিব। এয়ে মোৰ মনৰ ইচ্ছা। আন কোনো ইচ্ছা নাই সম্প্ৰতে।"

ৰাজধানী ৰমণীপুৰৰ নাগমণি সোণাৰিৰ তৈয়াৰি গহনা পিন্ধিলে হেনো দুৰ্কপলীয়া-হঁতৰো কপাল ফুলে। আন সময়ত স্বৰ্ণ-কমলে কি ক'লেহেঁতেন ৰূপাক—সেই কথা কোৱা টান; কিন্তু এতিয়া তাইক বিমুখ কৰাৰ মন নগ'ল।

কমলে কলে, "মই কালিলৈ ৰাজধানীলৈ যাম আৰু ৰাজধানীৰ নাগমণি সোণাৰিৰ-পৰা হাৰ লৈ আহিম।"

ৰূপালীমে ক'লে, "চোৱাঁ, মোৰ এনে অৱস্থাত মোক অকলশৰে এৰি থৈ গুচি



যোৱাটো ঠিক হ'ব জানো? তুমি আন কাৰোবাক ৰাজধানীলৈ পঠাই দিয়া।"

ৰূপাৰ কথাষাৰ কমলে দলিয়াই নেপেলালে। কমলে ভাবি ভাবি উপায় উলিয়ালে এটা। তাৰ বন্ধু ৰমাকান্তৰ ল'ৰা অনন্তক পঠাব ৰাজধানীলৈ। বিছ বছৰীয়া অনন্তই আগে কোনোদিনে ৰাজধানীলৈ যোৱা নাছিল। সেয়েহে, ৰাজধানীলৈ যোৱা আৰু চোৱাৰ প্ৰবল ইচ্ছা আছিল তাৰ। কিন্তু তাত সি ধৰমশালাত থাকিব লাগিব আৰু আন ক'ৰবাত খাব লাগিব। এনেবোৰ নানান কথা ভাবি অনন্তৰ দেউতাকে অনন্তই ৰাজধানীলৈ যোৱাৰ কথাত মান্তি নহ'ল।

ইপিনে—স্বৰ্ণকমলে অনন্তক মতাই অনাই ক'লে, "ৰাজধানীত আমাৰ কুটুম এঘৰ আছে, তুমি তাত থাকিব পাৰিবা। তোমাৰ যোৱা-অহাৰ খৰচো মই দিম। তুমি একোবিধৰ অসুবিধা নোপোৱা।"

অনন্তৰ ৰাজধানীলৈ যোৱাৰ প্ৰবল উৎসাহ লক্ষ্য কৰি তাৰ দেউতাকে আৰু 'না' কৰিব নোৱাৰিলে। অনন্তৰ ৰাজধানীলৈ যোৱাটো খাটাং হ'ল।

ৰাজধানীলৈ যাবলৈ পোন পহিলতে সীতানগৰৰপৰা গৰুৰ গাড়ীত উঠি চুবুৰীয়া গাঁৱলৈ যাব লাগিব আৰু তাৰপৰা ঘোঁৰাবাগী ল'ব লাগিব।

যি কি নহওক, অনন্ত ৰাজধানীলৈ গ'ল, গৈ স্বৰ্ণকমলৰ কুটুম সিদ্ধিনাথৰ ঘৰ পালেগৈ। তালৈ যোৱাৰ আগতে বাটত পিছল খাই পৰি অনন্তৰ চোলা-চুৰীয়াত বোকা লাগি গৈছিল।

অনন্তই তাৰ চিনাকি দিয়াৰ লগে লগে সিদ্ধিনাথ কৈ উঠিল, "আমাৰ পৰম আত্মীয় কমলে তোমাক পঠিয়াইছে যেতিয়া—তুমি হ'লা আমাৰ প্ৰধান অতিথি। তোমাৰ টোপোলাটো মোক দিয়া, মই ভালকৈ সামৰি-সুতৰি থৈ দিম; তুমি গা-পা ধুই আহাগৈ যোৱা।"

সিদ্ধিনাথৰ ল'ৰাটোৱে অনন্তক কুঁৱাৰ ওচৰলৈ লৈ গ'ল। সিদ্ধিনাথে বিৰাট পাত্ৰ এটা লৈ আহি কুঁৱাৰ ওচৰত থৈ অনন্তক ক'লে, "বোপা অনন্ত, এই পাত্ৰত পানী ভৰাই গা ধুবা, আৰু গা-পা ধুই, পুনৰ পানী ভৰাই, পাত্ৰটো লৈ আহিবা। বুজিলা নহয় বোপাই?"

আলহীয়ে কিয় এইবাৰ কৰিব? অনন্তৰ অলপ খঙেই উঠিল। তথাপি সিদ্ধিনাথৰ কথা মতে কামটো কৰিলে। বোকালগা কাপোৰ-কানিখিনি চাফা কৰোঁতে অনন্তই ভাবিলেঃ সিদ্ধিনাথে মোক কাৰোবাৰ চাকৰ-নাকৰ বুলিহে ভাবিছে কিজানি। নহ'লেনো—

তাৰ পাছত সিদ্ধিনাথে অনন্তক ভাত খাবলৈ মাতিলে। ঘৰৰ সকলো পীৰাত বহিল; কিন্তু অনন্তক মজিয়াত বহিবলৈ কোৱা হ'ল। আন সকলোটিৰ বাবে ৰূপৰ কাঁহী, অনন্তক কলপাত দিয়া হ'ল। সকলোটিয়ে তপত ভাত পালে, কিন্তু অনন্তৰ কাৰণে বাহী ভাত। খোৱা-বোৱাৰ অন্তত অনন্ত ঢাৰি পাতি মজিয়াত শুবলৈ কোৱা হ'ল; কিন্তু ঘৰৰ আটায়েই চকিত শুলেগৈ।

পাছদিনা সিদ্ধিনাথৰ পৰিবাৰে অনন্তক ৰাতিপুৱাতে জগাই তুলি ক'লে, "বোপা, আজি আমাৰ বুঢ়া চাকৰটো অহা নাই, তুমি গাখীৰ খীৰাই আনাচোনগৈ।"



বোপাই, কেইটামান ৰঙালাও আছে, আমাৰ মিতিৰ এঘৰত দিম। যাওঁতে সিহঁতৰ ঘৰত মাত লগাই যাম।"

ইমান ডাঙৰ আৰু গধুৰ টোপোলাটো কঢ়িয়াই লৈ যাওঁতে অনন্তৰ বৰ কষ্ট হ'ল। তথাপি—কিনো কৰিব, বাধ্যত পৰি কঢ়িয়াই লৈ গ'ল। আৰু অৱশেষত দুয়ো নাগমণিৰ দোকান পালেগৈ।

সিদ্ধিনাথে নাগমণি সোণাৰিক ক'লে, "ভায়াহে নাগমণি, সীতানগৰৰ স্বৰ্ণকমল মোৰ বন্ধু—আৰু কুটুমো। ইমান বছৰৰ অন্তত বন্ধু সন্তানৰ পিতৃ হ'ব। ভাল চাই মণি-মুকুতা খটোৱা হাৰ এডাল দিবা; কিন্তু দাম বৰ বেছি নল'বা।"

নাগমণিয়ে ক'লে যে হাৰডাল গঢ়াওঁতে চাৰি-পাঁচ দিনমান সময় লাগিব।

এই পাঁচ দিন ধৰি সিদ্ধিনাথে অনন্তৰ দ্বাৰা সকলোবিধৰ ঘৰুৱা কাম কৰোৱালে। আনকি গোহালিও চাফা কৰোৱালে। নলা-নৰ্দমাবোৰ চাফা কৰালে। কিন্তু ঘৰৰ কোনেও তাক কোনো অপমানজনক কথা কেতিয়াও কোৱা নাছিল।

নাগমণিৰপৰা হাৰ লৈ পুনৰ ঘৰমুৱা হ'ল অনন্ত। সিদ্ধিনাথৰ ঘৰৰ প্ৰায় সকলোটিয়েই অনন্তক ক'লে, "আকৌ আমাৰ ঘৰলৈ আহিবা।"

এই ঢলপুৱা ঘৰৰ আন কোনোৱেই সাৰ পোৱা নাছিল, অথচ সিদ্ধিনাথৰ বুদ্ধিমতী পৰিবাৰে আলহী অনন্তকহে টোপনিৰপৰা টানি তুলিলে!

এইদৰে, ইটোৰ পাছত সিটোকৈ ঘৰৰ প্ৰায়বোৰ কাম অনন্তই কৰি দিবলৈ বাধ্য হ'ল। তাৰ পাছত অনন্তই এসময়ত ক'লে, "কিন্তু এতিয়া মই নাগমণি সোণাৰিৰ তালৈ যাম।"

সিদ্ধিনাথে কৈ উঠিল, "ময়ো তোমাৰ লগত যাম ব'লা"

ওলাওঁতে সিদ্ধিনাথে অনন্তক ক'লে, "হেঁ, এই টোপোলাটো অলপ লোৱাচোন

অনন্তই মণি-মুকুতা খটোৱা হাৰডাল স্বৰ্ণকমলক দিলেহি। স্বৰ্ণকমলে সোধাত অনন্তই ক'লে, "ৰাজধানীলৈ যাওঁতে বা উভতি আহোঁতে একো অসুবিধা হোৱা নাছিল ; কিন্তু আপুনি মোক য'ত থকাৰ বন্দৱস্ত কৰিছিল—তেওঁলোকে মোক 'প্ৰধান অতিথি' বুলি মুখেৰে ক'লেও চাকৰৰ দৰে কাম কৰাইছিল এইকেইদিন। তেওঁলোকে ভদ্ৰতা নাজানে দেখিছোঁ।"

সকলো কথা শুনাৰ অন্তত স্বৰ্ণকমলে ক'লে, "পাঁচ-ছয়দিন ধৰি তোমাক যে খুৱালে সেইখিনি কাম কৰোৱাই উচুল কৰি ল'লে। এই অভদ্ৰ কথাটো নুবুজাকৈ থকা নাই মই।"

"কিছুমান মানুহে কিছুমান কথা একেবাৰে নাজানে। আকৌ বহুতো কিবাকিবি জানে। এওঁলোকে যে মোৰ দ্বাৰা তেনেবোৰ কাম কৰোৱাইছিল, তাৰ গুৰিতো কিবা নহয় কিবা কাৰণ থাকিব পায়। কাৰণ বিনে এনে কাম কোনোবা গৃহস্থই কৰেনে?"

অনন্তৰ এই কথাৰ উত্তৰ স্বৰ্ণকমলে ক'লে, "কাৰণ—হওঁতে নথকা নহয়। ছমাহমানৰ আগতে সিদ্ধিনাথহঁতে আমাৰ ঘৰলৈ এজন মানুহ পঠিয়াইছিল আৰু কেইদিনমান আছিলহি ইয়াত মানুহজন। সেই মানুহজনক আমি যেনেকৈ আলহী সোধাইছিলোঁ, সিদ্ধিনাথেও আমাৰ লগত তেনেকৈ ব্যৱহাৰ কৰিলে। ঠিক আছে, আগলৈ দেখা যাব কোনে কাৰ কিলৰ খাৰ খায়।"

তেতিয়া অনন্তই সিদ্ধিনাথৰ দুৰ্ব্যৱহাৰৰ ৰহস্য বুজি পোৱা হ'ল, বুজি পোৱা হ'ল বাঘ-বৰাৰ যুঁজৰ ৰহস্য। কিন্তু আচৰিত কথা, এতিয়াও স্বৰ্ণকমলৰ মনত অনুতাপ বা খেদৰ চিনামাত্ৰো দেখা নগ'ল। অনন্তই আৰু কেতিয়াও স্বৰ্ণকমলৰ কোনো কাম নকৰিবলৈ মনতে শপত খালে।



তলা পালে তাঁতীয়ে

মাথা-মুণ্ড একো বুজি নাপাই ক্ৰান্তি দেশৰ ৰজা নিমাতে থাকিল। চুবুৰীয়া ৰাজাৰ ৰাজদূতে খড়িমাটিৰে গণ্ডী টানি বুকু ফিন্ধাই থিয় হৈ আছে ৰজাৰ সমুখত।

তাৰ পাছত ৰজাই তেওঁৰ মন্ত্ৰীবৰ্গক সুধিলে, "এই গণ্ডীৰ অৰ্থ কি?"

মন্ত্ৰীসকলক মূৰ খজুৱাই মুখ ওন্দোলাই মনে মনে থকা দেখি ৰজাই ককৰ্থনাৰ ভংগীৰে ক'লে, "মন্ত্ৰী হৈ মূঢ়াৰ দৰে থিয় হৈ নাথাকি এই খড়িমাটিৰ গণ্ডীৰ অৰ্থ ক'ব পৰা কাৰোবাক বিচাৰি আনকগৈ। যাওক।"

মন্ত্ৰীবৰ্গ ওলাল। গৈ গৈ গৈ গৈ— এঠাইত এটা ঘৰৰ কোঠা এটাত কোনো মানুহ নথকাকৈয়েই দোলন এখন তুলি থকা দেখা পালে। সেই ঘৰৰ চালত ধান মেলি দিয়া হৈছিল শুকুৱাবলৈ আৰু সেই ধানখিনিৰ ওপৰত এখন বিচনীয়ে বিচি থকা দেখা পালে। কিন্তু বিচনীখনেৰে যে কোনো বিচি আছে সেই কথা বুজি নাপালে; কিয়নো ঘৰৰ চালৰ ওপৰতো কোনো মানুহ নাছিল। এই বিচনীখনেৰে কাউৰী খেদোৱা হৈছিল। তাৰ পাছত—আন এটা কোঠাত এজন তাঁতীয়ে তাঁত চলাই দেখা পালে। "তোমাৰ ঘৰৰ চালত বিচনী আৰু তলত দোলন—কোনেনো চলাইছে? কি কৌশলেৰে এই কাম কৰিছা কোৱাচোন?"

"ঘৰৰ চালৰ বিচনী আৰু তলৰ দোলন ময়েই চলাইছোঁ। এই তাঁতৰ দুফালে দুডাল ৰছীৰ লগত দোলন আৰু বিচনী বান্ধি থৈছোঁ। তাঁত চলালেই সেইবোৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

লৰে আৰু চৰে। হে হে—বুইছেনে? কৌশল ইমানেই তাঁতীয়ে তলৰ জিভা ওপৰ কৰিলে।

মন্ত্ৰীগণে একেলগে হোৱা দি উঠিল, "চমৎ—কাৰ! তোমাৰ নিচিনা এজনক বিচাৰিহে ওলাইছোঁ আমি। আমি এটা সমস্যাত পৰিছোঁ আৰু তুমি সেই সমস্যাৰ সমাধান কৰি দিবা।" মন্ত্ৰীয়ে তাঁতীক খড়িমাটিৰ গম্ভীৰ কথা বিবৰি ক'লে।

শুনাৰ অন্তত তাঁতীয়ে টপৰাই কৈ উঠিল, "এনেবোৰ সমইস্যাৰ সমাধান মোৰ বাহিৰে আন কোনেও কৰিব নোৱাৰিব।" এই বুলি কৈ, কণ কণ ল'ৰা ছোৱালীহঁতে খেলি থকা গুলি দুটা জেপত লৈ তাঁতী তালৈ গ'ল আৰু ৰজাক প্ৰণাম কৰি গুলি দুটা দূতৰ আগত পেলাই দিলে।

দূতে এমুঠি ধেঁহু তাত ছটিয়াই দিলে। লগে লগে তাঁতী তাৰপৰা ওলাই গ'ল আৰু মতা কুকুৰা এটা লৈ পুনৰ সোমালহি। তাঁতীয়ে কুকুৰাটোক তাত এৰি দিয়াৰ লগে লগে কুকুৰাটোৱে ধেঁহুখিনি খালে আৰু দূত তৎক্ষণাৎ গুচি গ'ল।

ৰজাই বা কোনেও এই কথা-কাণ্ডৰ মাথা-মুণ্ড নুবুজাত তাঁতীয়ে ক'লে, "মহাৰাজ, চুবুৰীয়া দেশৰ ৰজাই আপোনাক বন্দী কৰাৰ ইংগিত জনাই সেই দূতক পঠাইছিল। আপুনি বশ্যতা স্বীকাৰ কৰিবনে যুদ্ধ কৰিব তাকে জানিব খুজিছিল তেওঁ। মই দূতৰ আগত গুলি দুটা পেলাই তাক ক'লোঁ যে তোমালোকৰ ৰজা আমাৰ ৰজাৰ আগত শিশু মাথোন। মোৰ ইংগিতৰ উত্তৰত দূতে ধেঁহু ছটিয়াই ক'লে যে সিহঁতৰ সৈন্যবল প্ৰচুৰ, আৰু ময়ো মতা কুকুৰা মেলি দি বুজাই দিলোঁ যে আমাৰ প্ৰতিটো মতা সৈন্য তোমালাকৰ শত সহস্ৰ সৈন্যক শেষ কৰি পেলাব পাৰিব।

ৰজাই তাঁতীৰ কথাত মুগ্ধ হৈ ক'লে, "তোমাক মই মোৰ মহামন্ত্ৰী পাতিলোঁ।"



উচিত কড়ি বুকুত গুৰি

যথেষ্ট ধন-সম্পত্তি থকা সত্বেও পতিত পাৱনে কৰাইচৰো কৰাইচ হিচাপে জনাজাত হৈ পৰিছিল। পতিতৰ নামটোৰ সৈতে কৰাইচ শব্দটো এক হৈ পৰিছিল। যি কি নহওক, এবাৰ কৰাইচ পতিত তীৰ্থলৈ ওলাবলৈ মন মেলিলে। সি তীৰ্থলৈ ওলাই বোবা-কলা-কণাৰ ভাও জুৰি ভিক্ষা কৰি খৰচ চলাব বুলি স্থিৰ কৰিলে।

কৰাইচ পতিতে তীৰ্থ ভ্ৰমি ফুৰোঁতে প্ৰকৃততেই কেতিয়াবা বোবা, কেতিয়াবা কলা, বা অন্ধৰ ভাও লৈ ভিক্ষা কৰি থাকিল। কিন্তু এদিন তাৰ গাঁৱৰ মদন আৰু গোপালে তাক ভিক্ষা কৰি থকা দেখা পালে। দেখা পাই—মদনে গোপালক ক'লে, "এয়া চা—পতিতকায়ে ভিক্ষা কৰি আছে। আমাৰ গাঁওখন যে বানৰ পানীত তল গ'ল আৰু পতিত কাইৰ ঘৰটোও যে গ'ল—কওঁনে এতিয়া ?"

এই কথা শুনিয়েই কৰাইচ পতিতে স্থান-কাল পাহৰি আৰ্তনাদ কৰি কৈ উঠিল, "কি কোৱা হে! বোলোঁ—সঁচা কথা কৈছানে ? মোৰ ইমান ডাঙৰ ঘৰ, হাজাৰ হাজাৰ মোৰ ধান-চাউল, সকলো নষ্ট হ'লনে ? হায় হায়! মোৰ কি হ'ব এতিয়া ?"

পতিতৰ কথাখিনি তাত থকা বহুতেই শুনিলে। অলপ সময়ৰ আগতো যিটো মানুহ বোবা-কলা আছিল, সি ইমান চিঞৰি আৰু স্পষ্টকৈ কথা কোৱাত কিছুমানে তাৰ পিঠিত অতিকৈ মৰমৰে বৰ্ড়িয়াকৈ বাবৰি ফুল বাছিলে।

এইদৰে কৰাইচ পতিতক উচিত কড়ি বুকুত গুৰি দিব পৰাত মদন, গোপাল, আৰু আন বহুতেও ভাল পালে।





মধুপক্ষী

আফ্ৰিকাৰ এখন পৰ্বতীয়া গাঁৱত আছিল দুজন ভাই-ককাই। দুয়ো হাবিত চিকাৰ কৰি প্ৰৱৰ্তাইছিল। এবাৰ দুয়ো চিকাৰলৈ ওলাই হাবিৰ ভিতৰত বাট হেৰুৱাই পেলালে। এইদৰে, দুয়ো হাবিৰপৰা এওলোৱাৰ বাট বিচাৰি বাট বুলি বুলি হাবিৰ সোঁমাজ পালেগৈ। আৰু তাত এঠাইত ভালেমান মাটিৰ চৰু পৰি থকা দেখা পাই অবাক হৈ ৰৈ দিলে।

*

"এনেহেন নিমাওমাও অৰণ্যত ইমানবোৰ মাটিৰ চৰু কিয় ককাইদেউ? ইয়ালৈনো আহিল কোন? আৰু আমাৰ দৰে বাট হেৰুৱাই যদি কোনোবা-কুন্থবি সোমাইছেহিও, ইমানবোৰ চৰু আনিছিল কিয়নো?" ভায়েক মলুংগাই সুধিলে।

"চৰুবিলাকত হাত নিদিবা। ব'লা আমি গুচি যাওঁ ইয়াৰপৰা।" ককায়েক লুলুংগাই ক'লে। লুলুংগা আছিল মলুংগাতকৈ চালাক কিন্তু ভয়াতুৰ ধৰণৰ।

*

যি কি নহওক—সাহসী ভায়েক মলুংগাই চৰুবিলাক এটা এটাকৈ দাঙি চাবলৈ ধৰিলে। এইদৰে চৰুবোৰ দাঙি দাঙি চাই থাকোঁতে ককায়েক লুলুংগা ভালেখিনি আঁতৰত থিয় হৈ আছিল। শেষ চৰুটো দাঙি দিয়াৰ লগে লগেই চৰুটোৰ ভিতৰৰপৰা চুটি-চাপৰ পকাচুলীয়া সেলামুখীয়া বুঢ়ী এজনী ওলাই আহিল।

চৰুৰপৰা ওলায়েই বুঢ়ীয়ে লুলুংগাক হাত-বাউল দি মাতি ক'লে, "আহাঁচোন, আহাঁ। ইমান আঁতৰত থিয় হৈ ভয়তে

'আফ্ৰিকাৰ সাধু'



কঁপি আছা কেলেই? কদাপি তোমাৰ একো অনিষ্ট নকৰোঁ। আহঁা—আহি থাকঁা মোৰ পিছে পিছে।"

কিন্তু ককায়েক লুলুংগা নাহিল।

তেতিয়া বুঢ়ীয়ে মলুংগাক মাতিলে। আৰু অকণো ভয়-ডৰ নকৰাকৈ সৰল তথা সাহিয়াল মলুংগাই বুঢ়ীৰ পিছ ল'লে।

কিছুদূৰলৈকে আগুৱাই যোৱাৰ পাছত হঠাৎ বুঢ়ী ৰ'ল আৰু মলুংগাৰ হাতত কুঠাৰ এখন দি ক'লে, "তুমি কুঠাৰেৰে এই গছজোপাৰ গুৰিত ঘপিয়াই থাকঁা।"

মলুংগাই বুঢ়ীয়ে কোৱা মতে' গছ-জোপাত কুঠাৰেৰে এঘাপ মাৰি দিয়াৰ লগে লগে সেই ঠাইৰপৰা এজনী ধুনীয়া গাই ওলাই আহিল। বুঢ়ীয়া আকৌ মলুংগাক ইচাৰা কৰিলে ঘপিয়াবলৈ। দ্বিতীয়বাৰ ঘাপ মাৰি দিওঁতে এজনী ছাগলী ওলাল। তাৰ পাছত বুঢ়ীৰপৰা ইচাৰা পাই মলুংগাই তৃতীয়বাৰ গছজোপাত ঘপিয়ালে। এইবাৰ ভেড়া এটা ওলাল। আৰু তাৰ পাছত মলুংগাই ঘপিয়ায়েই থাকিল আৰু অসংখ্য আৰু ভেড়া আৰু ছাগলী ওলাই আহিল।

তেতিয়া বুঢ়ীয়ে মলুংগাক ক'লে, "এতিয়া তুমি ঘৰলৈ যোৱাগৈ। এই গৰু ভেড়া ছাগলীৰ জাকটো মই তোমাক দিলোঁ। এইবোৰেই হ'ব তোমাৰ সুখৰ উৎস। তুমি এতিয়া ৰংমনে যোৱাগৈ, মই ইয়াতে চিৰটিকাল থাকিম।"

গৰু ভেড়া ছাগলীৰ জাকটোৰে সৈতে বুঢ়ীৰ কথামতে মলুংগাই ঘৰলৈ বুলি খোজ ল'লে। অলপমান আগুৱাই যোৱাৰ পাছত মলুংগাই তাৰ ককায়েকক লগ পাই আনন্দৰে ক'লে, "চোৱা ককাইদেউ, বুঢ়ীয়ে মোক কিমান গৰু ভেড়া ছাগলী দিলে। পোনতে বুঢ়ীয়ে তোমাক মাতিছিল, তুমি নগ'লা। যোৱাহেঁতেন তুমিয়েই এইবোৰ নিশ্চয় পালাহেঁতেন।"

*

তেতিয়া আছিল জহৰ দিন। মলুংগাৰ

বৰ পিয়াহ লাগিছিল। অলপ আঁতৰত এটা কুঁৰা দেখা পাই মলুংগাই চিঞৰি কৈ উঠিল, "ককাইদেউ, পানী!"

দুয়ো কুঁৰাৰ পাৰত থিয় হ'ল। কিন্তু পানী খাব কেনেকৈ? খাবলৈ হ'লে কুঁৰাৰ ভিতৰত নামিগৈ লাগিব। হাবিৰ লতাৰে শকতকৈ ৰছী পকাই ককায়েক লুলুংগাই ভায়েক মলুংগাক ক'লে, "হেঁা, তই টানকৈ ৰছীডালত ধৰি থাকিবি, মই ৰছী বগাই কুঁৰাত নামি পানী খাই পুনৰ ৰছী বগাই উঠি আহিম, পাছত তয়ো খাই আহিবিগৈ।"

ককায়েক লুলুংগাই পানী খাই উঠি আহিল আৰু তাৰ ভায়েক মলুংগা নামি গ'ল কুঁৰাৰ ভিতৰলৈ। তেতিয়া ককায়েক লুলুংগাই ভাবি থাকিল: মই যদি ৰছীডাল এৰি দিওঁ সি আৰু কুঁৰাৰপৰা ওলাই আহিব নোৱাৰিব! তেতিয়া এই ইমানবোৰ গৰু ভেড়া ছাগলী হ'ব মোৰ আৰু মলুংগাক বাঘে খালে বুলি সকলোৱে ভাবিব। —এইবোৰ কথা ভাবি লুলুংগাই ৰছীডাল তাৰ হাৰ হাতৰপৰা এৰি দিলে আৰু তৎক্ষণাৎ ঘৰলৈ বুলি খোজ ল'লে।

*

সেই কুঠাৰখন আৰু গৰু-ছাগলীবোৰ লৈ ককায়েক লুলুংগাই ঘৰ পাই তাৰ দেউতাকক ক'লে, "চোৱা দেউতা, এজনী বুঢ়ীয়ে মোক এই কুঠাৰখন আৰু ইমানবোৰ গৰু ছাগলী ভেড়াও দিলে।"

"খুব ভাল কথা হ'ল। কিন্তু—মলুংগা ক'ত? তাক দেখা নাই যে?" দেউতাকে ক'লে।

ককায়েক লুলুংগাই অবাক হোৱাৰ ভাও জুৰি কৈ উঠিল, "সি—এতিয়ালৈকে ঘৰ পোৱাহি নাই! সি হাবিৰ ভিতৰলৈ নোসোমাব বুলি কৈ আহিছিল দেখোন। কিয় সি উভতি অহা নাই—?"

*

কথাটো তেতিয়াই গাঁৱৰ আন

কিছুমানেও জানিলে। সকলোটিয়েই ক'লে যে হয় তাক বাঘে খালে, নহ'লে সি বনৰ ভিতৰত বাট হেৰুৱালে, আৰু নহ'লে তাক নিশ্চয় পৰুৱাই পালে।

*

এনেতে হঠাৎ মধুপক্ষীৰ মাত শুনা গ'ল। মধুপক্ষীৰ মাত শুনিয়েই সেই মধুপক্ষীৰ পিছে পিছে কিছুমান মানুহ লৰি গৈ থাকিল; কিয়নো মধুপক্ষী য'ত ৰ'বগৈ তাৰ ওচৰে-পাঁজৰে মৌ-বাহ থাকিবই, নহ'লে আন কিবা মূল্যৱান বস্তু পোৱা যাব বুলি গাঁৱৰ মানুহৰ বিশ্বাস আছিল।

*

মধুপক্ষীৰ পিছে পিছে লৰি যোৱা মানুহবিলাকৰ মাজত হতভাগ্য মলুংগাৰ দেউতাকো আছিল অন্যতম এজন।

*

মধুপক্ষীটোৱে ডেউকা কোবাই উৰি উৰি হঠাৎ সেই কুঁৱাটোৰ ভিতৰত নামিলগৈ। লগে লগে সেইটো কুঁৱাৰ ভিতৰত কি আছে চাবলৈ মানুহবিলাক হামখাৰ খাই পৰিল আৰু হঠাৎ মলুংগাৰ দেউতাকে চিঞৰি উঠিল, "মোৰ ল'ৰা! মোৰ ল'ৰাটো! ম—লু—ংগা!"

*

মধুপক্ষীয়ে তাৰ ঠোঁটেৰে কামুৰি ধৰি লতাৰে বনোৱা সেই ৰছীডাল ওপৰলৈ দাঙি আনিলে আৰু সকলোটিয়ে মিলি আধামৰা মলুংগাক সেই ৰছীৰ সহায়ত উদ্ধাৰ কৰি আনিলে। অলপ পাছত চেতনা ঘূৰাই পাই মলুংগাই তাৰ দেউতাকক সকলো কথা ক'লে। কথাটো শুনি গাঁৱৰ ৰাইজ লৰি গ'ল লুলুংগাক ধৰিবলৈ। কিন্তু বতাহত বিপদৰ গোন্ধ পাই তিমানতে ঘৰ-দুৱাৰ-গৰু-ভেড়া এৰি লুলুংগা পলাল! তাৰ পাছত তাক কোনেও কেতিয়াও ক'তো লগ পোৱা নাছিল।



পেঙ্গুইনৰ কণী

কিং পেঙ্গুইন চৰায়ে নিজৰ ঠেঙত থকা মোনা এটাৰ ভিতৰত কণী ৰাখি থয়। তেতিয়া এই মোনাটোৰ চাৰিওকাষৰ উষ্ণতা –৪০ ডিগ্ৰি ছেণ্টিগ্ৰেড। অথচ কণীটোৰপৰা পোৱালি হ'বলৈ হ'লে +৪০ ডিগ্ৰি ছেণ্টিগ্ৰেড উষ্ণতাৰ প্ৰয়োজন। এই চৰায়ে সেই মোনাটোৰ ভিতৰত স্বাভাৱিক উষ্ণতাতকৈ ৪০ ডিগ্ৰি ছেণ্টিগ্ৰেড অধিক উষ্ণতা সৃষ্টি কৰিব পাৰে।

প্ৰকৃতিৰ দান

হঠাৎ জুইত পৰিলে, বা তাৰ চাৰিওকাষে জুই লাগিলে বিছাই হেনো আত্মহত্যা কৰে—এয়ে ভালেমান মানুহৰ ধাৰণা। কিন্তু এই ধাৰণা সম্পূৰ্ণ ভুল। বিষ থকা প্ৰাণীয়ে নিজৰ বিষেৰে নিজৰ অনিষ্ট কৰিব নোৱাৰে। চাৰিওকাষে জুই দেখা পাই ভয় খাই, বিছাই নিজৰ হুল নিজৰ গাত বিন্ধোৱা দেখি মানুহৰ মনত এনে ধাৰণাই বাহ লৈছে।



খৈৰী ভালুকৰ খাদ্য

এইবিধ ভালুকে যিবোৰ বস্তু খায় তাৰ মাজত শতকৰা সত্তৰ ভাগ হ'ল গছ-গছনি আৰু লতা-পাত। বাকী ত্ৰিছ ভাগ হ'ল পোক-পৰুৱা, নিগনি-এন্দুৰ, চৰাই-চিৰিকতি, কেৰ্কেটুৰা আৰু সৰুসুৰা জীৱ-জন্তু।

'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দর্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাছুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ ডিছেম্বাৰ মাহৰ ফটো-নামকৰণ 'প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আছে চান্দমামা হাতত লৈ দ্বিতীয় ফটো : কেনেকৈ' যাওঁ ঘাটলৈ

পুৰস্কাৰ প্ৰাপক : ফৰহানা য়েছমিন, কুমাৰপাৰা, গুৱাহাটী-১

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

OR

Chandamama Publications, Chandamama Buildings, Vadapal—i, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়...
শালমন ওলাই সকলো পণ্ড কৰি পেলালে

মোৰ জীৱনৰ সেই ডাঙৰ দিনটোৰ কাৰণে মই সকলো ধৰণে প্ৰস্তুত হৈছিলো — স্কুলৰ বছৰেকীয়া অনুষ্ঠান। প্ৰতিযোগিতাত যিটো গীত গাম, তাৰো আখৰা কৰিছিলো পূৰ্ণোদ্যমে। সকলোবোৰ ভাল ধৰণেই আগবাঢ়িছিল, কিন্তু হঠাৎ···মই দেখিলো মোৰ মুখত শালমন ওলাইছে। কিযে কাণ্ড···জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়···এই বয়সত এইবোৰ কি ওলাল···নাই, নাই···এইখন মুখ লৈ মই মানুহৰ আগত ওলাব নোৱাৰো।

এনে সময়তে মোৰ বন্ধু এজনী আহি কলেহি 'চিন্তা নকৰিবা' ক্লিয়াৰেচিল লগোৱা, ময়ো ব্যৱহাৰ কৰি চাইছো। তুমি জানা, ক্লিয়াৰেচিলে শালমন দূৰ কৰে। আৰু আনকি ই বিয়পি পৰা প্ৰতিৰোধ কৰাটো সহায় কৰে। মাথো সেয়াই নহয়, বিশ্বাস কৰা, ই সঁচাকৈয়ে প্ৰভাৱশালী।

বিপুল হৰ্ষধ্বনিৰ মাজত মই পুৰস্কাৰ গ্ৰহণ কৰিছিলো আৰু মনে মনে ধন্যবাদ দিছিলো ক্লিয়াৰেচিলক যাৰ যহত মই এই সাফল্য লাভ কৰিলো···ই হ'ল মোৰ জীৱনৰ সবাতোকৈ ৰোমাঞ্চকৰ মুহূৰ্ত।

ক্লিয়াৰেচিল'এ ৩-ধৰণে কাম কৰে



১। শালমন মুকলি কৰে
বিশেষ ঔষধিয়ে শালমনৰ ওপৰৰ ঢোকোৰা ভাঙি পেলোৱাত সহায় কৰে।

২। জীৱাণু প্ৰতিৰোধ কৰে
জীৱাণুনাশক ক্ৰিয়াই শালমন সৃষ্টি কৰা আৰু বিয়পাব পৰা জীৱাণু প্ৰতিৰোধ কৰে।

৩। শালমন শুকুৱাই পেলায়
অতিৰিক্ত তৈলভাগ শুহি লৈ শালমন শুকুৱাই পেলোৱাত সহায় কৰে।

OBM-7991 ASM

ক্লিয়াৰেচিল শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
CLARION/NC/8636
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ. প্ৰ